
Miss URMI MAZUMDER.

# কমৰেড তিলক মজুমদাৰ ওৰফে বিজয় ডেকা



OKDISCD

সম্পাদনা ঃ
পোৱাল চন্দ্ৰ দাস
হেমেন দাস



ধিং মাছৰ কাৰ্যালয়ৰ সমুখত বিপ্লৱী বীৰ গৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰিছে হাজাৰ জনতাই।

# কমৰেড তিলক মজুমদাৰ ওৰফে বিজয় ডেকা

সম্পাদনা ঃ
পোৱাল চন্দ্ৰ দাস
হেমেন দাস

# সূচীপত্ৰ


◆ সম্পাদকীয়

তিলক মজুমদাৰ অমৰ হওঁক ◆ অজিত কুমাৰ ভুঞা

তিলক মজুমদাৰ মানুহজন ◆ গজেন ফুকন

স্মৃতিৰ এলবামত কমৰেড মজুমদাৰ ◆ মোছলেম উদ্দিন কবীৰ

বিপ্লৱী তিলক মজুমদাৰ মই জনা মানুহজন ◆ ভাৰত তামুলী ফুকন

কমৰেড তিলক মজুমদাৰৰ বিয়োগত বেদনাসিক্ত স্মৃতিচাৰণ ◆ অম্বু বৰা

তিলক মজুমদাৰৰ সোঁৱৰণিত ◆ ড° ৰিয়াজউদ্দিন আহমেদ

জনগণৰ বন্ধু সংগ্ৰামী তিলক মজুমদাৰ ◆ শেৱালি কাকতি

মৃত্যুঞ্জয়ী বীৰ তুমি ◆ দীপক বৰা

দেউতাক মই কেনেদৰে পাইছিলো ◆ উৎপলা মজুমদাৰ

কমৰেড তিলক মজুমদাৰৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি ◆ পুষ্পেন্দ্ৰ নাথ

বিপ্লৱী তিলক মজুমদাৰৰ সান্নিধ্যৰ এচোৰা ◆ মোলান লস্কৰ

কমৰেড তিলক মজুমদাৰক বিচাৰি ◆ অংকুৰ

মই তেওঁক দেখা পাইছো ◆ চুম্‌কি

আজন্ম জ্যোতি ◆ বিশ্বজিৎ নাথ

সোঁৱৰণি ◆ ৰূপেন

হে মহান তুমি মুক্ত ◆ উৰ্মি মজুমদাৰ

স্বাধীনতাৰ বাবে ◆ বিপিন ভড়ালী


OKDISCD

## সম্পাদকীয়

# তুমি জীয়াই আছা বিপ্লৱৰ নিচান হৈ

*যি জনগনৰ স্বাৰ্থৰ হকে সংগ্ৰাম কৰি মৃত্যু বৰণ কৰে, তেওঁৰ মৃত্যু হব নোৱাৰে, তেওঁ জীয়াই থাকে জনগনৰ আমঠুৰ নিভৃততম কোনত। এখন শ্ৰেণীহীন শোষণমুক্ত সমাজ গঢ়াৰ স্বপ্নক ফুলকুমলীয়া অৱস্থাতেই বুকুত বান্ধি লৈয়ে ক্ষান্ত থকা নাছিল, মৃত্যুৰ আগমুৰ্হুৰ্তলৈকে সেই সংগ্ৰামখনৰ গুৰু দায়িত্ব বহন কৰি ফুৰা আজীবন বিপ্লৱী বীৰ তিলক মজুমদাৰ ৰাষ্ট্ৰযন্ত্ৰৰ নিষ্ঠুৰতাৰ বলি হৈ কায়িকভাবে অৰ্ন্তধান হলেও তেওঁ জীয়াই থাকিব প্ৰতিখন পথাৰত, কাৰখানাত, বাটে ঘাটে কতেইবা নেথাকিব তেওঁ। প্ৰতিজন ডেকা-গাভৰুৰ অন্তৰত তিলক মজুমদাৰ জীয়াই থাকিব বিপ্লৱৰ এপাহ তেজ ৰঙা গোলাপ হৈ।*

*ইতিহাস সচাঁকৈয়ে নিষ্ঠুৰ। হাতত বন্দুক লৈ স্বাধীনতাৰ বাবে যুঁজা বিষ্ণু ৰাভা, খগেন বৰবৰা, হৰি বৰুৱা আদি বিপ্লৱী বীৰৰ দল আৰ চি পি আইয়ে যেতিয়া সুবিধাবাদ গ্ৰহণ কৰি জনগনৰ স্বাৰ্থক আওঁকান কৰি, ভাৰতীয় সংসদীয় পৰিকাঠামোৰ মাজত সোমাই নিৰ্বাচন সবৰ্স্ব ৰাজনীতিৰে জনগনক অন্ধকাৰৰ মাজলৈ ঠেলি দি ৰঙ চাইছিল নিজকে বিপ্লৱী বুলি দাবী কৰা নেতাসকলে, তেতিয়া বাৰু কেনেকৈ সহ্য কৰি থাকিব পাৰে তিলক মজুমদাৰৰ দৰে জনগনৰ বাবে গোটেই জীৱনটো উচৰ্গা কৰিবলৈ ওলাই অহা এজন মহান বিপ্লৱী বীৰে। মাৰ্ক্সবাদী লেনিনবাদী দৰ্শনৰ মুলবস্তু দ্বন্দাত্মক বস্তবাদৰ দাৰ্শনিক ভিত্তিক সঠিকভাবে অনুধাৱন কৰিব নোৱাৰাৰ বাবেই যে আজিৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰত তথাকথিত বাওপন্থী হিচাপে পৰিচিত এই দলসমূহে কোনো ধৰণৰ উল্লেখযোগ্য অৱদান যে আগবঢ়াব পৰা নাই সেই কথা ক্ষনে ক্ষনে প্ৰতীয়মান হৈছে। আনকি বিপ্লৱৰ শ্লোগান আওৰাই ফুৰা তথাকথিত কমিউনিষ্টসকলে কংগ্ৰেছৰ পথকে যে অনুসৰণ কৰি অন্য এক দিশৰ সন্ধান দিম বুলি জনগনক ভেল্কীবাজি কৰাৰ পিছত তিলক মজুমদাৰৰ দৰে আপোচহীন বিপ্লৱী বীৰে কি স'তেৰে বাৰু সহ্য কৰিব পাৰে। আৰু যেতিয়া শক্ৰ কোন, মিত্ৰ কোন তাৰো সঠিক বিশ্লেষণ দলৰ নেতৃত্বই যদি স্পষ্ট কৰি নিদিয়ে, ভাৰতৰ অন্য প্ৰান্তৰৰ লগত নিমিলা উত্তৰ পূবৰ ৰাজ্যসমূহৰ জাতি, উপজাতিৰ সমস্যা সমাধানৰ ক্ষেত্ৰত নাম ল'ব নোখোজা, অসমৰ তথা উত্তৰ পূৰ্ব্বাঞ্চলৰ ইতিহাস আৰু অৰ্থনীতি সম্পৰ্কে নিৰ্মোহ বিশ্লেষণৰ পৰা আতৰি থাকিব খোজা আৰু অৱশেষত যেতিয়া নিজকে বিপ্লৱী দলৰ কাণ্ডাৰী বুলি দাবী কৰাসকলে ইন্দিৰা গান্ধীৰ জৰুৰীকালীন অৱস্থাৰ প্ৰতিও সমৰ্থন জনালে, তেতিয়া বাৰু জনগনৰ হৈ কাম কৰা মানসিকতাক লৈ জীয়াই থকা কোনোবা মানুহে তেনে দলৰ হৈ কাম কৰিব পাৰেনে? আৰু তাৰেই পৰিপ্ৰেক্ষিতত তিলক মজুমদাৰ, ৰাম গগৈ, গজেন ফুকনৰ দৰে বিপ্লৱী বীৰসকল প্ৰতিবাদমুখৰ হৈ দলত্যাগ কৰি জনগনৰ বাবে এখন জাতীয় সংগ্ৰামৰ পাতনি মেলিবলৈ ওলাই আহিল নতুন ৰূপেৰে আৰু সেই বিপ্লৱৰ সচঁ গজি উঠিছে ভাৰতৰাষ্ট্ৰই কৰ্ষণ কৰি সাৰ-পানী যোগোৱাৰ জৰিয়তেই। সেইবাবেই হয়তো লহপহীয়াকৈ বাঢ়ি আহিছে ক্ষুদ্ৰ জাতি সত্ত্বাসমূহৰ বিপ্লৱৰ শইচ।*

*তিলক মজুমদাৰে যি ধৰণৰ পৰীক্ষণ নিৰীক্ষণৰ মাজেৰে জাতীয় মুক্তি সংগ্ৰামৰ খচৰা প্ৰস্তুত কৰিছিল, ভূলৰ পুনৰাবৃত্তি হ'বলৈ নিদি বৰঞ্চ ভুলৰ পৰা শিক্ষাগ্ৰহণ কৰাৰ যি মানসিকতা গঢ় দিছিল, জাতীয় মুক্তি আন্দোলনৰ জৰিয়তেহে যে সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন অৱশ্যসম্ভাৱী সেই মৰ্ম উপলব্ধি কৰিব পাৰিব লাগিব অসমৰ নতুন প্ৰজন্মই। নহ'লে আঠু কাঢ়িয়েই যে মৰিব লাগিব সেইটো আজি জ্বলজ্বল পটপট।*

*অকল যে শোষক শ্ৰেণীৰ স্বাৰ্থতেই অসমৰ তথা উত্তৰ পূবৰ বিভিন্ন জাতি উপজাতিৰ মাজতে ভাতৃঘাটী সংঘৰ্ষৰ সৃষ্টিৰে জনশক্তি নাশ কৰাৰ নীচক ষড়যন্ত্ৰত লিপ্ত হৈছে এই কথা আজি অসমীয়া ভাষা কোৱা মানুহ কেইটাই উপলব্ধি কৰিলেই নচলিব, এই বিশাল ভূ-খণ্ডত বসবাস কৰা বড়ো, কাৰ্বি, ডিমাছা, মিচিং, নগা, মিজো, ত্ৰিপুৰী, অৰুণাচলী সকলোৱেই উপলব্ধি কৰাৰ সময় সমাগত। এই ভূ-খণ্ডত বাস কৰা প্ৰতি জাতি উপজাতিয়ে ধৰ্ম বৰ্ণ নিৰ্বিশেষে আজি পণ ল'ব হ'লঃ "কমৰেড তোমাক মৰিব নিদিও, তুমি জীয়াই আছা বিপ্লৱৰ নিচান হৈ, তুমি জীয়াই আছা আমাৰ অন্তৰৰ নিভৃততম কোণত বিপ্লৱৰ তেজ ৰঙা গোলাপ হৈ"।*

পোৱাল চন্দ্ৰ দাস

হেমেন দাস

OKDISCD

# তিলক মজুমদাৰ অমৰ হওঁক

■ অজিত কুমাৰ ভূঞা

ৰাষ্ট্ৰসন্ত্ৰাসৰ প্ৰতিবাদত নগাৰত এখন সভা কৰিবলৈ যাওঁতে তিলক মজুমদাৰক প্ৰথম লগ পাইছিলো। গণতন্ত্ৰ দিৱসৰ দিনা পুলিচ-চি আৰ পিৰ প্ৰচণ্ড বাধাৰ মাজত অনুষ্ঠিত কৰা সভাখনত তিলক মজুমদাৰৰ ভাষণ শুনি মই অনুপ্ৰাণিত হৈছিলো, একপ্ৰকাৰ মুগ্ধ হৈছিলো। তাৰ পিছত মজুমদাৰক মই আৰু লগ পোৱা নাই কিন্তু মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ সতে তেওঁ জড়িত হোৱা বুলি জানি অতি উৎসাহিত হৈছিলো। কাৰণ যি সময়ত ৰাজনীতিক বুদ্ধিজীৱীয়ে জনগণক কেৱল প্ৰতাৰণাই কৰিছিল, সেই সময়ত মাক্সবাদী লেনিনবাদী চিন্তাধাৰাৰে পুষ্ট তিলক মজুমদাৰৰ দৰে ব্যক্তিয়ে নিপীড়িত জনগণৰ কাষত থিয় হৈ সংগ্ৰামী ধাৰাটোক জীয়াই ৰাখিছিল। লগতে মাৰ্কাবাদৰ চোলা পিন্ধি যিসকলে সংশোধনবাদক জীয়াই ৰাখিছে, সেই সকলৰ মুখা খুলি দিবলৈকো আজি তিলক মজুমদাৰৰ দৰে ব্যক্তিৰ প্ৰয়োজন হৈছে। প্ৰগতিশীল ধাৰাৰ জয় যিহেতু অনিবাৰ্য্য গতিকে তিলক মজুমদাৰৰ দৰে মানৱ দৰদীৰ কেতিয়াও মৃত্যু নাই। সমাজত এনে ব্যক্তিয়েই সদায় প্ৰাসঙ্গিক হৈ ৰ'ব। পৰিৱৰ্তনকামী মানুহক প্ৰেৰণা যোগাই যাব। তিলক মজুমদাৰৰ আদৰ্শৰ যিহেতু মৃত্যু নাই গতিকে তেওঁৰ স্মৃতিত স্মৰণিকা এখন উলিয়াবলৈ লৈ উদ্যোক্তা সকলে এটা মহৎ কাম কৰিছে। তিলক মজুমদাৰ অমৰ হওঁক।

**মাতৃভূমিক ৰক্ষা কৰাতো প্ৰত্যেক নাগৰিকৰে পবিত্ৰ কৰ্তব্য।**
**মাতৃভূমিৰ প্ৰতি বিশ্বাসঘাটকতা জনগণৰ বিৰুদ্ধে চৰমতম অপৰাধ।**
**— লিয়'নাড ইলিচ ব্ৰেজনেভ।**

# তিলক মজুমদাৰ মানুহজন

■ গজেন ফুকন

১৯৫২ চনত মই ভাৰতীয় যুৱক সংঘৰ কৰ্মী হিচাপে ঘৰৰ পৰা ওলায় আহিছিলো। তেতিয়া যুৱক সংঘৰ সম্পাদক আছিল প্ৰেম গোহাই, সভাপতি গোপল দাস, উপ সভাপতি কনক সেন ডেকা, সহঃ সম্পাদক আছিল শৈলেন খাৰঘৰীয়া। ১৯৫২ চনত হোৱা জুৰিয়াত হোৱা সভাত মজুমদাৰ দেৱক লগ পাইছিলো আৰু তেতিয়াৰে পৰাই তেওঁৰ লগত মোৰ সু-সম্পৰ্ক গঢ়ি তুলিছিলো, ইয়াৰ আগলৈকে মোৰ কোনো ৰাজনৈতিক জ্ঞান নাছিল। ১৯৫২ চনৰ পৰা একেৰাহে কাম কৰি গৈছিলো। ১৯৫৮ চনত কলিয়াবৰত আমি সকলোৱে সত্যাগ্ৰহ কৰিছিলো খাদ্য নাটনিহোৱাৰ কাৰণে, কলিয়াবৰৰ সত্যাগ্ৰহৰ পাছত মজুমদাৰে খাদ্যৰ কাৰণে একেৰাহে পাঁচদিন পাচৰাতি অনশন পালন কৰিছিল। খাদ্য আন্দোলনত আমাৰ ৬৭২ জন কৰ্ম্মীয়ে জেল খাতিছিল (চলিহাৰ মন্ত্ৰীসভাৰ দিনত)। তাৰ আগতে ১৯৫৭ চনত আধিয়াৰ আইনৰ অধীনত মজুমদাৰ নেতৃত্বত আমি একে লগে কলিয়াবৰত আন্দোলন কৰিছিলো। (১৯৪৮ চনত অধিয়াৰ আইনখন পাচ হৈছিল) এই আন্দোলনত আমি সফল হব পৰা নাছিলো। মজুমদাৰ তেতিয়া আমাৰ Whole Timer কৰ্ম্মী আছিল। ইয়াৰ পাছত মজুমদাৰে তেল শোধানগৰ আন্দোলনত আগভাগ লৈছিল আৰু গোটেই অসমতো তেখেতে প্ৰচাৰ কৰিছিল।

১৯৫৬ চনৰ পৰা আমি বিষ্ণুৰাভাৰ লগত একেলগে আছিলো ৰাভাই কথাই কথাই আমাক কৈছিল ভাৰতবৰ্ষৰ লগত উত্তৰ পূৰ্ব্বাঞ্চলৰ সামাজিক বিকাশ একে নাছিল। মই ৰাম গগৈ, মজুমদাৰ সকলো সময়তে একে লগে আছিলো, ৰাভাক আমি প্ৰতিটো কামতে লগ ধৰি আহিছিলো আৰু সেই সময়তে আমি ৰাইজৰ বতৰা নামৰ কাকতখন চলাইছিলো। ১৯৬৭ চনৰ পৰা ১৯৭৭ চনলৈকে মজুমদাৰ নগাওঁ জিলা সম্পাদক আছিল। ১৯৭৭ চনৰ শেষৰ ফালে মজুমদাৰ, মই ৰাম গগৈ আৰু কেইজনমান কমৰেডে R.C.P.I. ত্যাগ কৰো। ১৯৭৮ চনৰ প্ৰথম ভাগতে মজুমদাৰে C.P.I.M.L. দলত যোগ দিয়ে।

১৯৭৭ চনত R.C.P.I. দল ত্যাগ কৰা আগমূহুৰ্তত আমি আমাৰ অভিযোগ সমূহ প্ৰচাৰ পত্ৰৰ যোগেদি আমি জনগণৰ মাজত প্ৰকাশ কৰিছিলো। আমাৰ অভিযোগ সমূহ এনেধৰণৰ আছিল –

## বিপ্লৱী কমিউনিষ্টদলৰ কৰ্মী আৰু ৰাইজৰ প্ৰতি গোহাৰি

সুদীৰ্ঘকাল সংশোধনবাদৰ বিৰুদ্ধে আদৰ্শগত সংগ্ৰামৰ ইতিহাসেই হ'ল বিপ্লৱী কমিউনিষ্টদলৰ ইতিহাস। ১৯৩৬ চনত ভাৰতৰ কমিউনিষ্টদলৰ সংশোধনবাদী আৰু সুবিধাবাদী ভূমিকাৰ বিৰুদ্ধে যুঁজ কৰিয়েই বিপ্লৱী কমিউনিষ্ট দলৰ জন্ম হৈছিল। উদ্দেশ্য আছিল ভাৰতৰ মাটিৰ লগত সম্পৰ্ক ৰাখি এটা প্ৰকৃত বিপ্লৱী দল গঢ়ি তোলা। কিন্তু ট্ৰটস্কীপন্থী সুবিধাবাদী সংশোধনবাদী আৰু অতিবামপন্থী সুবিধাবাদী সকলৰ কবলত আৰু বিশ্বাসঘাটকতাৰ ঘলত, এই দলৰ শক্তিশালী গণভিত্তি থকা স্বত্বেও সুদূৰ প্ৰসাৰী বিপৰ্যয ঘটে। দল ভাঙি ঠান ঠান হয়। সংশোধনবাদী সকলৰ একাংশই চি পি আইত যোগ দিয়ে। এই সংশোধনবাদী সকলৰ বিশ্বাসঘাটকতাৰ বিৰুদ্ধে যুঁজ কৰিয়েই ১৯৫৪ চনত গজেন ফুকন, ৰাম গগৈ, তিলক মজুমদাৰ, ভূপেন চক্ৰৱৰ্তী আদিয়ে কলিয়াবৰত এক বিশেষ অভিবৰ্তনৰ যোগেদি বিপ্লৱী কমিউনিষ্ট দলক পুনৰ সংগঠিত কৰে। দল পুনৰ গঠিত হ'ল যদিও সংশোধনবাদী সকলৰ বিৰুদ্ধে তীব্ৰ মতাদৰ্শগত যুঁজ চলোৱা আৰু সাংগঠনিক দৃঢ় শৃংখলা ৰক্ষা কৰা সেই সময়ত সম্ভৱ হোৱা নাছিল। দলৰ মাজত সংশোধনবাদী নেতৃত্বৰ চক্ৰান্ত থাকিলেও দলৰ একণিষ্ঠ বিপ্লৱী কৃষক শ্ৰমিকসকলক বিপ্লৱীনীতি আৰু আদৰ্শৰপৰা আতঁৰাই নিবপৰা নাছিল। কিন্তু সংশোধনবাদী সুধীনকুমাৰ, বানেশ্বৰ, ছামছুল হুদা চক্ৰই পৰ্যায়ক্ৰমে সংশোধনবাদী জালখন বিস্তাৰিত কৰি তোলে, সৰু দলৰ নীতি, কাৰ্যপন্থা জলাঞ্জলি দি সংশোধনবাদী আৰু সুবিধাবাদী নীতি আৰু কাৰ্যপন্থা দলৰ ওপৰত জাপি দিয়ে। ক্ৰমান্বয়ে বিপ্লৱী কমিউনিষ্টদলক চি পি আই, চি পি এম আদি সুবিধাবাদী দলৰ সহযোগীতা পৰিণত কৰে। এই দুইদলে যিদৰে সংশোধণবাদী পথ অনুসৰণকৰি ভাৰতত সাম্ৰাজ্যবাদ, সামাজিক সাম্ৰাজ্যবাদ আৰু দেশৰ শোষকশ্ৰেণীৰ ৰাজত্ব দীৰ্ঘম্যাদি কৰিছে, সেইদৰে বিপ্লৱী কমিউনিষ্ট দলৰ নেতৃত্বয়ো কৰিছে। সমস্তদলকে এই চক্ৰই সুবিধাবাদী নেতৃত্বলোভী সংসদীয় মোহাচ্ছন্ন, চীন বিৰোধী, ৰাছিয়াৰ অনুচৰহঁতৰ বিচৰণক্ষেত্ৰ কৰিছে। দলৰ বিপ্লৱী কৰ্মীসকলক বিপ্লৱী পথৰপৰা আঁতৰাই আনি সংসদীয় য়ুজৰ আখৰাত বহুৱাৰ ভাও দিবলৈ উদ্গানি দিছে। দলৰ জনযুদ্ধৰ নীতি আৰু কৌশল বিসৰ্জন দি সংশোধনবাদী নীতি আৰু কৌশল প্ৰতিষ্ঠিত কৰিছে।

দলৰ একনিষ্ঠ কৰ্ম্মীসকলে কিন্তু এই ভাঙোণ আৰু ষড়যন্ত্ৰৰ সময়তো দলৰ বিপ্লৱী ঐতিহ্য বজায় ৰাখি জনগনৰ মাজত নিঃস্বাৰ্থ ভাবে কাম কৰি গৈছে। সংশোধবাদৰ ফান্দত ভৰি নিদিয়া এনে প্ৰকৃত বিপ্লৱী কৰ্ম্মীসকলক সুবিধাবাদী নেতৃত্বই সাংগঠিক চক্ৰান্তৰে সদায় এঘৰীয়া খৰিভলৈ অপচেষ্টা চলাইছে। নানা অজুহাতত দলৰ নেতৃত্বৰ পৰা অপসাৰিত কৰিছে। এনে চক্ৰান্তৰ ফলত ৰাম গগৈ, তিলক মজুমদাৰ, গজেন ফুকন আৰু বিপ্লৱী কৃষকনেতা আৰু কৰ্মীসকল দলৰ পৰা ওলাই আঙে। দুই এক কৰ্মীয়ে আন দলত যোগ দিলেও বেচিভাগ বিপ্লৱী কমিউনিষ্ট কৰ্মীয়ে এতিয়াও বৈপ্লৱীক জনযুদ্ধৰ নীতি বিসৰ্জন দি আন দলত যোগ দিয়া নাই। বিপ্লৱী কমিউনিষ্ট দলক প্ৰকৃত বিপ্লৱী দল হিচাপে গঢ় দিবলৈ চেষ্টা চলাই আছে।

দলৰ বিপ্লৱী কৰ্মীসকলে সুবিধাবাদী, সংশোধনবাদী চক্ৰৰ বিৰুদ্ধে অনা গুৰুত্বপূৰ্ণ অভিযোগসমূহ আমি তলত উল্লেখ কৰিলো। ৰাজনীতিক আমি প্ৰাধান্য দিছো, দুৰ্নীতি আৰু দলৰ সংগঠন দেউলিয়া কৰা অন্য নানা অভিযোগ থাকিলেও সেইবোৰ এই আলোচনাত অন্তভূক্ত কৰা নাই।

অভিযোগসমূহঃ

(১) ভাৰতৰ শোষকশ্ৰেনীৰ চৰিত্ৰ সম্পৰ্কে এই দলৰ নেতৃত্বই কোনো বিশ্বাসযোগ্য বিশ্লেষণ আগবঢ়াব পৰা নাই। ভাৰতৰ বুকুত সাম্ৰাজ্যবাদী আৰু সামাজিক সাম্ৰাজ্যবাদী শক্তিসমূহৰ প্ৰভাৱ কেনে তাৰ কোনো তথ্যভিত্তিক বিশ্লেষণ দলে কৰিব পৰা নাই।

গাওঁ অঞ্চলত কৃষকৰ সমস্যা বিশ্লেষণ আৰু সমাধানতো দলে স্পষ্ট পথ নিৰ্দেশ কৰিব পৰা নাই।

১৯৪৮ চনত ভাৰতীয় বুৰ্জোৱা শ্ৰেণীয়ে স্বাধীনতা পালে বুলি এই সুবিধাবাদী নেতৃত্বই কয়। প্ৰমানীত তথ্যপাতিয়ে এই বক্তব্য ভুল বুলি প্ৰতিপন্ন কৰে। ঠিক সেইদৰে গাওঁ অঞ্চলত আধাসামন্ততান্ত্ৰিক সম্পৰ্কসমূহ যে এতিয়াও দৃঢ়হৈ আছে সেই কথা এই সুবিধাবাদী চক্ৰই স্বীকাৰ নকৰে। সাম্ৰাজ্যবাদ, সামাজিক সাম্ৰাজ্যবাদৰ প্ৰভাৱ, দালাল শ্ৰেণীৰ ভূমিকা আৰু গাওঁ অঞ্চলত আধাসামন্ততান্ত্ৰিক অৱস্থাৰ কথা বিশ্লেষণ কৰিলে জনযুদ্ধৰ প্ৰশ্ন উঠে। সেয়ে সুবিধাবাদী চক্ৰ সঠিক বিশ্লেষণৰ পৰা আঁতৰি থাকে।

(২) দেশৰ নানা কৃষক ঝাতি উপজাতিৰ সমস্যা সমাধানৰ ক্ষেত্ৰত এই দলৰ কোনো সঠিক কাৰ্যপন্থা নাই। ফলত নাগা, মিজো, আদি বিদ্ৰোহৰ ক্ষেত্ৰত দলে কোনো ভূমিকা লব নোৱাৰিলে।

সাম্ৰাজ্যবাদ আৰু সামাজিক সাম্ৰাজ্যবাদৰ যুগত যে জাতি উপঝাতি সমূহৰ মুক্তি আন্দোলন অনিবাৰ্য প্ৰয়োজন সেই কথা এই চক্ৰই কোৱা নাই।

(৩) অসমৰ ইতিহাস আৰু অৰ্থনীতি বিশ্লেষন কৰি দলৰ নেতৃত্বই বিজ্ঞানসন্মত কাৰ্যসূছী লোৱা নাই।

(৪) (ক) সামাজিক সাম্ৰাজ্যবাদী ৰাচিয়াৰ সমৰ্থনপুষ্ট হৈ ইন্দিৰা গান্ধীয়ে যি উনৈচমহীয়া সন্ত্ৰাসৰ ৰাজত্ব চলালে, এই দলে তেতিয়া নিলৰ্জ্জ ভূমিকা লয়। সঠিক ভাবে বিশ্লেষণ দাঙি ধৰিব নোৱাৰি চুপচাপ থাকে।

(খ) এই সুবিধাবাদী চক্ৰৰে এক মুখাপাণ্ডা বানেশ্বৰ শইকীয়াই ইন্দিৰাৰ কুৰিদফীয়া আঁচনিক ওলগ জনাই আৰু চৰকাৰক সমৰ্থন কৰে। দলৰ কৰ্মীসকলকো বিভ্ৰান্ত কৰে।

(গ) ছোভিয়েত ৰাছিয়া আৰু বিশ্বৰ সংশোধণভাদী চক্ৰই পাটনাত তথাকথিত ফেচিবাদ বিৰোধী দিবস পাতি ইন্দিৰাৰ পেচিবাদী জুৰুৰীকালীন অৱস্থাৰ প্ৰতি সমৰ্থন জনাই। বিপ্লৱী কমিউনিষ্টদলৰ নেতৃত্ব এই সম্পৰ্কে চুপচাপ ছাকে।

(ঘ) এইদলৰ নেতৃত্বই নিৰপেক্ষ ভূমিকাৰ কথাকৈ মূলতঃ চীনাবিৰোধী প্ৰছাৰ চলাই। ভাৰত চীন মৈত্ৰীৰ বাবে কোনো কাৰ্য্যপন্থা আৰু বক্তব্য দলৰ নাই।

(৫) বিপ্লৱী কমিউনিষ্টদলক জনযুদ্ধৰ কৌশল এৰিবলৈ বাধ্যকৰি এইদলৰ সুবিধাবাদী নেতৃত্বই

(ক) কমিউনিষ্ট দলৰ সংগঠণৰ অন্যতম চৰ্ত গোপনীয়তা সম্পূৰ্ণ পৰিহাৰ কৰে আৰু দলক এঠা পঞ্জীভুক্ত কোম্পানীৰদৰে আইনী উদ্যোগত পৰিণত কৰে।

(খ) ঘাটি এলেকা সম্পৰ্কে আঁচনি দূৰৈৰ কথা, কোনো ঘাটি এলেকাৰ ধাৰণা এই দলৰ সুবিধাবাদী নেতৃত্বৰ নাই। ঘাটি এলেকাৰ চিন্তাক অকাৰ্যকাৰী আৰু সন্ত্ৰাসবাদী বুলি এওঁলোকে ভাবে।

(গ) দলৰ বিপ্লৱী যুগৰ গোপন নথি পত্ৰ সংৰক্ষণ নকৰি এই নেতৃত্বই দলটোৰ বিপ্লৱী ইতিহাস

পাহৰণিৰ গৰ্ভত জাহ যাবলৈ এৰি দিয়ে। দলৰ বিপ্লৱী কৰ্মীসকলৰ প্ৰতি এইদৰেই বিশ্বাঘাটকতা কৰে।

(ঘ) যি সকলে জনযুদ্ধৰ আদৰ্শ প্ৰতিষ্ঠাৰ বাবে সংগ্ৰামৰ কথা কয়, তেওঁলোকক সন্ত্ৰাসবাদী তথা চীনৰ দালাল বুলি অভিহিত কৰে, এইদৰে চৰকাৰী দৰ্মহাহীন পুলিচৰ কামফেৰাও সম্পাদন কৰে।

(ঙ) দলৰ বিপ্লৱী গোপন সংগঠণ নথকা বাবে আত্মপ্ৰচাৰমুখী সুবিধাবাদী নেতৃত্বই দলৰ ক্ষমতা কৰায়ত্ব কৰা আৰু পৰিচালনা কৰাৰ এই পৰিপ্ৰেক্ষিতত উল্লেখযোগ্য যে কোনো গন বাহিনী নথকাত আত্মৰক্ষামূলক (Defensive) জংগী সংগ্ৰাম কৰিবলৈও এই দল সক্ষম নহয়, দলৰ কৰ্মীসকলে প্ৰতিক্ৰিয়াশীল চক্ৰৰ হাতত মাৰ খায়।

(৬) প্ৰচাৰ আৰু সাংস্কৃতিক কামকাজৰ কোনো কাৰ্যসূচী দলৰ নাই। গোপন আৰু মুক্ত প্ৰচাৰ অভিযানৰ বাবে যোগ্য ব্যক্তি থকা সত্বেও সাংস্কৃতিক কামকাজ চলাবৰ বাবে সুযোগ্য কবি-সাহিত্যিক তথা সত্বেও সুবিধাবাদী নেতৃত্বই এএওঁলোকক কামৰ পৰা বিৰত ৰাখে। কাৰণ এই কৰ্মীসকল সংশোধনবাদৰ ভক্ত নহয়।

এই অভিযোগসমূহ সাধাৰণ আদৰ্শগত, ৰণনীতিগত আৰু কৌশলগত। এই অভিযোগসমূহৰ ক্ষেত্ৰত সংশোধনবাদী নেতৃত্বৰ লগত বৰ্তমান কোনো ধৰণৰ আপোচ সম্ভৱ নহয়। সেয়ে আমি বিপ্লৱী কমিউনিষ্টদলৰ কৰ্মীসকলক দল পুনৰ গঠন আৰু বৈপ্লৱীকৰণৰ কথা পুনৰ বিবেচনাৰ বাবে আহ্বান জনালো। পুনৰগঠণৰ বাবে এক খছৰা কৰ্মসূচীও আমি সুকীয়াভাবে দাঙি ধৰিছোঁ।

মই C.P.I.M.L. ত যোগদান কৰা নাছিলো।

ৰাভাৰ মৃত্যুৰ পাছত ৰাম গগৈ, মজুমদাৰ পৰিচালনাত ৯জনমান কমৰেড লগহৈ একেৰাহে ২৭ দিন আলোচনা কৰি স্বাধীন অৰ্থনীতি গঢ়ি তোলাৰ কাৰণে উত্তৰ পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তা বিকশিত অবিকশিত স্বকীয় বৈশিষ্ট্যতা ৰক্ষাৰ বাবে স্ব-নিয়ন্ত্ৰণৰ দাবীত সাম্ৰাজ্যবাদ, পুজিবাদী, ভাৰতীয় দালাল পূজিবাদীৰ বিৰুদ্ধে স্ব-নিয়ন্ত্ৰণ গঢ়ি তুলিবৰ কাৰণে প্ৰস্তাৱ লৈছিল।

আমি অভাৰত কমিউনিষ্ট হোৱা নাছিলো আদৰ্শত কমিউনিষ্ট হৈছিলো। মোৰ আৰু কথা কোৱা ধৈৰ্য্য নাইকীয়া হৈ গৈছে মুঠতে কব বিচাৰো যে তিলক মজুমদাৰ এজন প্ৰকৃত সমাজসেৱক, এজন ত্যাগী আছিল। তেওঁ মাও-ছে-তুঙৰ প্ৰতি প্ৰৱল বিশ্বাসী আছিল।

■

# স্মৃতিৰ এলবামত কমৰেড মজুমদাৰ

■ মোছলেম উদ্দিন কবীৰ

হাজাৰ নামৰ এক নাম, সেই নাম কমৰেড তিলক মজুমদাৰৰ নাম। এনে এজন আজীৱন বিপ্লৱী ব্যক্তিক পোন প্ৰথমবাৰ লগ পাইছিলো ১৯৬০ চনত। তেতিয়া অসমত শাসক গোষ্ঠীৰ ষড়যন্ত্ৰ ত আৰম্ভ হৈছিল ভাষা আন্দোলন। সেই আন্দোলনৰ বলি হৈছিল ভাষিক সংখ্যালঘু। বহুতো নিৰীহ মানুহক মাৰপিট, দোকান-পোহাৰ, ঘৰবাৰী জ্বলাই দিয়া কাৰ্যহি কমিউনিষ্ট সকলক বিক্ষুব্ধ কৰি তুলিছিল। সেই সময়ত মই ৰাজনীতি বুজি নাপালেও কমিউনিষ্ট সকলৰ মানবতাবোধ আৰু নিৰীহ মানুহৰ পক্ষে মাত মতা শুনি অষ্টম মানৰ ছাত্ৰ হৈয়ো মই মনে প্ৰাণে কমিউনিষ্টৰ কাৰ্য্যকলাপৰ প্ৰতি মই আকৃষ্ট হৈছিলো। তাৰপিছত ১৯৬৫ চনত কমৰেড় তিলক মজুমদাৰ, কমৰেড় মোহন হাজৰিকা তেখেত সকলৰ পৰামৰ্শমতেই এ ডি পি কলেজৰ আলোচনী সম্পাদক হৈছিলো। তাৰপিছত এ ডি পি কলেজৰ আলোচনী সম্পাদক হৈয়ে চিনাকি হৈছিলো ৰাজেন শইকীয়া, বীৰেন ডেকা, কেহো শইকীয়া আৰু যতীন্দ্ৰ কুমাৰ বৰগোহাঞি (তেখেত বৰ্তমান 'মুখামুখি'ৰ সম্পাদক)। ১৯৬৭ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত মই মজুমদাৰৰ লগত সক্ৰিয় ভাবে আৰ পি আই প্ৰাৰ্থীৰ হৈ নিৰ্বাচনত নামি পৰিছিলো। সেইবাৰ আমি ধিং সমষ্টিৰ পৰা দলৰ প্ৰাৰ্থী ছামছুল হুদাক বিজয়ী কৰাইছিলো। নিৰ্বাচনৰ পাছত দলৰ আদৰ্শ আৰু বিধায়কৰ কাৰ্য্য কলাপত আকাশ-পাতাল পাৰ্থক্য থকা দেখি মই নিক্ৰিয় হৈ পৰিছিলো। তাৰ কিছুদিন পিছত কমৰেড মজুমদাৰ মোৰ ঘৰলৈ যায় আৰু মোৰ লগত মাৰ্ক্সবাদ লোনিনবাধ সম্পৰ্কে আলোচনা কৰি মোক পুনৰ সক্ৰিয় কৰি তোলে। ১৯৭১ চনৰ নিৰ্বাচনত বিধায়ক ছামছুল হুদা দুনীৰ্তি পৰায়ণ চৰিত্ৰত পাৰ্টি পৰাজিত হৈছিল। '৭৪ চনৰ পঞ্চায়ত নিৰ্বাচনত

বট্টদ্ৰৰা উন্নয়ণ খণ্ডৰ গোটেই কিখন আসন আমি দখল কৰিছিলো। সেই সময়ত আমাক সম্বৰ্দ্ধনা জনোৱাৰ বাবে দলে ধিং বজাৰৰ ধান মহলত এখন সম্বৰ্দ্ধনা সভা আহ্বান কৰিছিল। সেই সভালৈ কমৰেড্ লক্ষী বৰুৱাই বিজয়ী সভাপতি আৰু কাউন্সিলাৰ সকলক সম্বৰ্দ্ধনা জনাবৰ কাৰনে ফুলৰ মালা অনা দেখি কমৰেড্ মজুমদাৰে কমৰেড বৰুৱাক সুধিছিল, এইবোৰ কিয় আনিছা? তেতিয়া বৰুৱাই কৈছিল যে সভাপতি আৰু কাউন্সিলাৰ সকলক পিন্ধাবলৈ। তেতিয়া কমৰেড মজুমদাৰে কমৰেড বৰুৱাৰ হাতৰ পৰা খণ্ডতে মালাখিনি লৈ গৈ কয় যে 'কমিউনিষ্টক মালা পিন্ধাৰা'? জনগনৰ হৈ ভাল কাম কৰিলে জনগনেই মালা পিন্ধাৱ।" ১৯৭৭ চনৰ শেষৰ ফালে ধিঙত আৰ চি পি আই দলৰ জিলা সম্মিলন বহিছিল। অধিবেশনত দলীয় লাইনলৈ মহা বিতৰ্ক হয়। বিতৰ্কৰ মূল বিষয় আছিল নিৰ্বাচন বনাম শ্ৰেণী সংগ্ৰাম, ছোভিয়েট ৰাচিয়াৰ সামাজিক সাম্ৰাজ্যবাদ বনাম সমাজবাদ। দলীয় নেতৃত্বই উক্ত প্ৰশ্নকেইটাৰ সঠিক উত্তৰ দিব নোৱাৰাত 'আৰ চি পি আই নেতৃত্ব মুৰ্দাবাদ' ধ্বনি দি কমৰেড মজুমদাৰ দলৰ অধিবেশন থলীৰ পৰা ওলাই যায়। মজুমদাৰৰ পিছে পিছে মই ভাৰত তামুলীফুকন, গজেন ফুকন, মইজুদ্দিন আৰু নৰেন গায়ন অধিবেশনৰ পৰা দলৰ নেতৃত্বৰ বিৰুদ্ধে শ্লগান দি ওলাই যাও। ইয়াৰ পিছত মজুমদাৰৰ নেতৃত্বত আমি চি পি আই এম এলত যোগ দিও।

উল্লেখ থাকে যে ১৯৭৫ চনত মোৰ সম্পাদনাত নগাঁৱৰ পৰা "নৱকণ্ঠ" নামৰ মাহেকীয়া কবিতা আলোচনী এখন প্ৰকাশ কৰো। সেই আলোচনীখনৰ নামাকৰণ মজুমদাৰেই কৰিছিল। সেই আলোচনীত কমৰেড্ মজুমদাৰে নৱকণ্ঠ নামৰ কবিতা এটিয়ো লিখিছিল। কবিতা পুথিখন তিনিটা সংখ্যা প্ৰকাশ কৰাৰ পিছত বিভিন্ন অসুবিধাত নবকণ্ঠৰ পকাশ বন্ধ হৈ যায়।

চি পি আই এম-এল দলত যোগদান কৰাৰ পিছত আমি আটায়ে খেতিয়কৰ মাজত সোমাই যাও আৰু তেওঁলোকৰ মাজত খেতিয়ক সন্থাৰ সংগঠণ গঢ়িতোলো। ১৯৭৮ চনৰ নিৰ্বাচনত অসমত গোলাপ বৰবৰাৰ নেতৃত্বত অকংগ্ৰেছী মন্ত্ৰীসভা গঠন কংগ্ৰেছী সকলৰ অৱস্থা পোৱালী হেৰুৱা বাঘিনীৰ দৰে হয়। তেতিয়াই তেওঁলোকে ছাত্ৰসন্থাক হাতত লৈ তথাকথিত বহিৰাগত খেদা আন্দোলনৰ সূচনা কৰে। সেই সময়ত মঙ্গলদৈত হিৰালাল পাটোৱাৰীৰ মৃত্যুত হ'বলগীয়া উপ-নিৰ্বাচন বন্ধ হয়। ভোটাৰ লিষ্ট সংশোধন নকৰাকৈ নিৰ্বাচন পাতিবলৈ দিয়া নহ'ব বুলি ছাত্ৰ সন্থাই দৃঢ়তাৰে ঘোষনা কৰে।১৯৮০ চনত চৰকাৰী ৰোষত মোক গেপ্তাৰ কৰে, কিন্তু কম্ তিলক মজুমদাৰসহ ময়জুদ্দিন আৰু চিৰাজুল ইছলাম (বৰ্তমান অ গ প কৰ্মী) তেওঁলোক গ্ৰেপ্তাৰৰ পৰা হাত সাৰি থাকে। মজুমদাৰে নিজৰ কৰ্মস্থল এৰি অভয়াপুৰিৰ লেংটি চিঙালৈ গুচি যায়। তাৰ পিছত আহিল কমিউনিষ্ট সকলৰ বাবে দুৰ্যোগ্যৰ দিন। ১৯৮৩ চনৰ নিৰ্বাচনত কমিউনিষ্ট সকলে অংশগ্ৰহণ কৰে। নিৰ্বাচনৰ আগে আগে কমিউনিষ্ট নিধন যজ্ঞ আৰম্ভ হয়। আন্দোলনকাৰীয়ে অসমৰ ঠায়ে ঠায়ে কমিউনিষ্ট সকলক হত্যা, কান কটা, চুলিকটা, ঘৰ জ্বলোৱা আদি কৰি অবৰ্ননীয় আতিশয্য আৰম্ভ কৰে। ইতিমধ্যে নিৰ্বাচনৰ কিছুদিন আগেয়ে মজুমদাৰ আহি ধিং পায়। তেতিয়া কমিউনিষ্ট সকলৰ কাৰণে আৰু সংখ্যালঘু মুছলমান সকলৰ কাৰণে ধিঙৰ অৱস্থা অতি ভয়াবহ হৈ পৰে। মজুমদাৰে সেই

ভয়াবহৰ সময়ত এদিনত নিজৰ প্ৰান ৰক্ষা বাবদ মোৰ ঘৰত গৈ পুৱা ৮টা মান বজাত উপস্থিত হয়। মই তেখেতক আচৰিত হৈ সুধিলো ইমান সোনকালে কৰ পৰা কেনেকৈ আহি ওলালাহি। তেখেতে কৈছিল, 'কমৰেড আগেয়ে মোক পানী খোৱাওক।' তাৰপিছত মায়ে পানী আনি দিয়াত তেখেতে খালে। তাৰপিছত আৰম্ভ কৰিলে তেখেতৰ ধিঙৰ পৰা পলায়নৰ কাহিনী। ঢলপুৱাতেই ধিঙৰ দুজন বঙালী ল'ৰাই তেখেতক ধিং চহৰৰ পৰা কলেজৰ পিছফালেদি আগবঢ়াই দিছিল। তেতিয়া তেখেতে ৰাধাআটীৰ পৰা কাছকাটী হৈ ধুপগুৰিৰে গৈ চালনাবৰীৰ মোৰ ঘৰত উপস্থিত হয়। "কমৰেড মই কোনোৰকম যে আপোনালোকৰ ওচৰলৈ জীৱনটো লৈ মুখখন দেখুৱাব পাৰিছো"। সেইদিনাই মজুমদাৰক বিচাৰি ছাত্ৰসন্থাই তেওঁৰ ঘৰ আক্ৰমণ কৰে। চিলিঙত যাঠী মৰাৰ উপৰিও কাপোৰ থোৱা বাকচতো মজুমদাৰক বিচৰাৰ খবৰ আমি পিছত জানিবলৈ পাইছো। মজুমদাৰ প্ৰায় তিনিমাহ কাল ধৰি মোৰ ঘৰত আশ্ৰয় লৈ আছিল। সেই কেইদিন কমৰেড্ মজুমদাৰকলৈ প্ৰতিখন গাৱঁত আমি শান্তি সম্প্ৰীতি অটুট ৰখাৰ কাৰনে মেল মিটিং কৰিছো। মজুমদাৰ মোৰ ঘৰত থকা অৱস্থাত নিৰ্বাচনৰ পিছদিনাখন যেতিয়া উগ্ৰজাতীয়বাদীইতে সংখ্যালঘু এলেকা বোৰত ঘৰ-দুৱাৰ জ্বলাই দিয়া মানুহক খুন কৰাৰ পিছত সংখ্যালঘু মানুহ উত্তেজিত হৈ উঠে। মিঞাই অসমীয়াক আৰু অসমীয়াই মিঞাক পালে আৰু ৰক্ষা নাই ঠিক সেই মুহুৰ্ত্তত দেউৰা বেহুগুৰি আদি অঞ্চলত জুই দি ঘৰবাৰী জ্বলাই দিয়ে তাৰ খবৰ পায় মই কম মজুমদাৰক লুঙি পিন্ধাই তালৈ লৈ যাও। তেতিয়া তাৰ বহুত মানুহেই কম মজুমদাৰক চিনি পায় আৰু কোনো কোনোৱে তেওঁক সাবটি ধৰি কয় কমৰেড আপুনি এতিয়াও বাচি আছেনে? বহুতে কয় আপোনালোকে মেলে মিটিঙে কোৱা কথাবিলাক সচাঁই হ'ল। তাৰপৰা আমি ৰাতি ঘৰ পাওঁ। ৰাতি অনুমান ১০ মান বজাত আমাৰ দুজন কমৰেড আহি খবৰ দিলে "আজি ৰাতি বাৰআটী গাওঁ আক্ৰমন কৰিবলৈ শ শ মুছলমান আহি আছে। তেতিয়া মজুমদাৰে কলে, মই নাযাও আপুনি তাৰা তাৰি যাওঁক।' তাৰপিছত মই ওলাই গলো। পিডব্লিও ৰাস্তালৈ গৈ বিভিন্ন অস্ত্ৰ শস্ত্ৰৰে সজ্জিত বহু মানুহক লগ পাওঁ। মানুহবিলাক তেতিয়া খুব উত্তেজিত। মই বহু চেষ্টা কৰি কোনোৰকম তেওঁলোকক প্ৰতিহিংসাত্মক কামৰ পৰা বিৰত কৰিবলৈ সক্ষম হওঁ। বুজি নোপোৱা দুই এজন ব্যক্তিয়ে মোক প্ৰশ্ন কৰিছিল আপুনিও বোলে জাতিৰ শত্ৰু অসমীয়া মানুহ ঘৰত আশ্ৰয় দিছে। তেতিয়া মই তেওঁলোকক উত্তৰ দিছিলো "অসমীয়া মানেই আমাৰ শত্ৰু নহয়। আমাৰ কাৰনেই বহুত অসমীয়া সামাজিক ভাবে বৰ্জিত, কান কটা গৈছে, জীৱন পৰ্যন্ত দিছে। আৰু তেনে এজন মহৎ অসমীয়া ব্যক্তি মোৰ ঘৰত আশ্ৰয় লৈছে। এইটো কোনো অপৰাধ হ'ব নোৱাৰে।" এই প্ৰশ্নটো সাধাৰন মানুহৰ নাছিল। আছিল এজন কংগ্ৰেছী মানুহৰ। বাপেকে কংগ্ৰেছ কৰে আৰু পুতেকে ছাত্ৰ সন্থা কৰে। সাপ হৈ খুটা আৰু বেজ হৈ জৰা। এয়েই হৈছে কংগ্ৰেছীদলৰ নীতি।

**সামৰনি ঃ**

জীৱনৰ বত্ৰিশ টা বছৰ মই মজুমদাৰৰ সান্নিধ্যত আছিলো। তেওঁ আছিল মোৰ ৰাজনৈতিক পথ প্ৰদৰ্শক। বহুতে মোক মজুমদাৰৰ ছায়া বুলি ঠাট্টা কৰিছিল। যতেই মজুমদাৰ তাতেই মই।

OKDISCO

বিজনী, কলিকতা, নক্সালবাৰী, নলবাৰী, তামুলপুৰ আদিত দুয়ো একেলগে গৈছো একেখন বিচনাতেই শুইছো। তেখেতৰ এটা অভ্যাস আছিল লগত আঠুৰা লৈ যোৱাটো খাটিকুচিৰ এবাৰ এখন পাৰ্টিৰ মিটিঙত। বৰ্তমানে কোঁচ ৰাজবংশীৰ নেতা চি পি আই এম এলৰ বিধায়ক ফনি মেধিয়ে শোৱাৰ সময়ত কৈছিল, "আপুনি আঠুৰা ক'ত পালে। কমৰেড ভাস্কৰনন্দীয়ে কৈছিল "এইটো মজুমদাৰৰ লগতেই থাকে।" তেতিয়া কমৰেড চন্দ্ৰ কলিতাই (প্ৰাক্তন বিধায়ক) হাঁহি হাঁহি গৈ আঠুৰা খুলি দি আমি সকলোৱেই আঠুৰা নোহোৱাকৈ শুম আৰু আপুনি অকলে আৰাম কৰিব। কমৰেড মজুমদাৰে হাঁহি হাঁহি কৈছিল– "কমৰেড মই অকলে নহয় মোৰ লগত কমৰেড কবিৰো আছে।

অন্তিম দেখা ঃ

যোৱা ১১/৫/৯৭ তাৰিখে পুৰনি গুদামতেই তেখেতৰ লগত শেষ দেখা হয়। তে্তিয়া এনে লাগিছিল যেন তেখেতে মোক বহুত কিবাকিবি কবলৈ আছে। সকলো যেন চেপা দি ৰাখিছে। মোৰ বিশ্বাস সেয়া হয়তো সংগ্ৰামৰ স্বাৰ্থত। কমৰেড জনাৰ মৃত্যুৰ খবৰত আমাৰ পৰিয়াললৈ গভীৰ শোকৰ ছাঁ নামি আহে। আৰু সেই বেদনাৰ কলীয়া ডাৱৰে আমাৰ অঞ্চলটোক আগুৰি ধৰে। কমৰেড মজুমদাৰৰ মৃত্যুত দেশমাতৃয়ে হেৰুৱাইছে এজন সুযোগ্য সন্তানক, অসমবাসীয়ে হেৰুৱাছে এজন আজীৱন বিপ্লৱীক আৰু মই হেৰুৱালো এজন কমৰেডক। কমৰেড মজুমদাৰ মৰা নাই আৰু নমৰেও। তেখেতে খন্তেকৰ কাৰনে বিশ্ৰাম লৈছে। মোৰ বিশ্বাস তেখেতৰ আদৰ্শই নতুন প্ৰজন্মক সংগ্ৰামৰ একাবেকা বাটেদি আগুৱাই লৈ যাব। সশস্ত্ৰ সংগ্ৰামেই জনগনৰ একমাত্ৰ মুক্তিৰ পথ বুলি বি্শ্বাস কৰা কমৰেড মজুমদাৰৰ স্মৃতিত বৈপ্লৱিক অভিবাদন জনাই এই লিখাৰ সামৰণি মাৰিলো।

আজিৰ অসমীয়াই লাচিত বৰফুকনৰ পৰা স্বদেশ প্ৰেম, স্বাৰ্থত্যাগ, কৰ্তব্যনিষ্ঠা, দৃঢ় সংকল্প, অধ্যৱসায়, স্বদেশৰ হকে আত্মোৎসৰ্গ, ৰাজভক্তি আদি অনেক সজ গুণ শিকিবৰলৈ আছে। অতি দুখৰ বিষয়, আমি এনে সকল জাতীয় বীৰ পুৰুষৰ কথাও পাহৰিবলৈ ধৰিছো আমি এতিয়াও জনা নাই যে এওঁলোকৰ সোঁৱৰণিত বৰ্তমান ৰুগীয়া অসমীয়া জাতিৰ পক্ষে সঞ্জীৱনী শক্তি আছে, যে এই সকল মহাত্মাৰ জীৱনচৰিত আলোচনা আমাৰ নিচিনা পতিত জাতিৰ পুনৰুদ্ধাৰৰ উপায়।

— হিতেশ্বৰ বৰবৰুৱা

# বিপ্লৱী তিলক মজুমদাৰ মই জনা মানুহজন

■ ভাৰত তামুলীফুকন

কমৰেড্ মজুমদাৰ আছিল নীতি নিষ্ঠা, ত্যাগ আৰু সাহসৰ প্ৰতীক। তিলক মজুমদাৰ ১৯৫০ চন মানতেই ভাৰতৰ বিপ্লৱী কমিউনিষ্ট (RCPI) পাৰ্টিলৈ আহিছিল। আমি তেখেতক লগ পাইছিলো ১৯৭২ চন মানত। আমি তেতিয়া কলেজৰ ছাত্ৰ। মই প্ৰধানতঃ বামপন্থী ছাত্ৰ সংগঠনৰ লগত জড়িত হৈ নগাওঁ চহৰক কেন্দ্ৰ কৰি কাম কাজ কৰিবলৈ আৰম্ভ কৰিছিলো। আৰু সেইখিনি সময়তে আমি লগ পাইছিলো তিলক মজুমদাৰক। তেওঁ তেতিয়া প্ৰধানতঃ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ কৃষক ফ্ৰন্টৰ সৰ্বক্ষন কৰ্মীহিচাবে কাম কাজ কৰি আছিল যদিও পাৰ্টিৰ ফালৰ পৰা তেওঁ সৰ্বক্ষন কাম কাজ কৰাৰ বাবে কোনো পুৰ্জিৰ যোগান ধৰা নাছিল। আজৰি সময়খিনি তেওঁ চহৰৰ যুৱছাত্ৰ সকলৰ মাজত সঘনে যোগাযোগ ৰাখিছিল। কান্ধত এটা কাপোৰৰ বেগ, এখন লুঙী, কেইখনমান কিতাপ, ভৰিত সাধাৰণ চামৰাৰ চেণ্ডেল এযোৰ পিন্ধি দীঘল দীঘল খোজ পেলাই খোজ কঢ়া ব্যক্তিজন আছিল মজুমদাৰ। আমি জনাত সেই সময়ত পাৰ্টিৰ একাংশ নেতাই তিলক মজুমদাৰক উগ্ৰবাদী বা অতি বাম মানসিকতাৰ বুলি ভাবিছিল।

এইটোৱেই ভাৰতীয় কমিউনিষ্ট সকলৰ ইতিহাস। বিপ্লৱৰ নামত সংশোধনবাদী চিন্তাধাৰাৰে জনগণক আভুৱা ভৰা বিপ্লৱী কথাৰে নিৰ্বাচনৰ সময়ত মুখৰ হৈ উঠা দল সমুহৰ কাৰ্য্য কলাপে তিলক মজুমদাৰক সন্তুষ্ট ৰাখিব পৰা নাছিল। তত্বত লেনিনে ডুমাত অংশগ্ৰহন কৰা কথা কৈ নিৰ্বাচন সৰ্বস্ব ভাৰতীয় কমিউনিষ্ট দল সমূহৰ কাম কাজৰ ওপৰত পাৰ্টিৰ ভিতৰতে মজুমদাৰে বিতৰ্ক চলাইছিল আৰু সেইটোৱেই অসমৰ সেই সময়ৰ কেইজনমান বিপ্লৱী কমিউনিষ্ট নেতাই সহ্য কৰিব পৰা নাছিল। সেইসময়ৰ ছোভিয়েট ৰাছিয়াৰ শান্তিপূৰ্ণ সহৰস্থানৰ মাজেৰে কমিউনিষ্ট সকলে ক্ষমতা দখল কৰা শ্লোগানৰ পোনপটিয়া বিৰোধিতা মজুমদাৰে কৰিছিল। তেওঁ আমাক কৈছিল সশস্ত্ৰ সংগ্ৰাম

OKDISCD

অবিহনে ক্ষমতা দখল কৰা সম্ভৱ নহয় আৰু জনগণৰ মুক্তি কামনা কৰাটোও আকাশত চাংপতা কথা। মাৰ্ক্সবাদী লেনিনবাদী দৰ্শনৰ মূল কথা দন্দ্বমূলক বস্তুবাদৰ দাৰ্শনিক ভেটি বুজাই সমাজ ব্যৱস্থা পৰিৱৰ্ত্তন তাৰ প্ৰয়োগ সম্পৰ্কে সুন্দৰ ব্যাখ্যা দাঙি ধৰিছিল। বিপ্লৱী কমিউনিষ্ট দলো এটা সময়ত সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী দল আছিল আৰু এই দলত বিষ্ণু ৰাভা, খগেন বৰবৰা, হৰি বৰুৱা আদি বিপ্লৱী সকলে হাতত অস্ত্ৰলৈ জনগণৰ বাবে মুক্তি সংগ্ৰামত অংশ গ্ৰহন কৰিছিল।

বিপ্লৱী কমিউনিষ্ট দলৰ সশস্ত্ৰ সংগ্ৰামৰ কালছোৱাত বিশেষকৈ ওপৰ অসমৰ প্ৰত্যেক ঘৰৰ পৰা এজন হলেও (ল'ৰাই হওঁক বা ছোৱালিয়েই হওঁক) ব্যক্তিক মুক্তি সংগ্ৰামৰ ৰনুৱা হিচাবে বিপ্লৱী কমিউনিষ্ট দলৰ সদস্য হবলৈ পৰিয়ালৰ লোকে এৰি দিছিল। ওপৰ অসমৰ মানুহে বিশ্বাস কৰিছিল যে অসমৰ হেৰুৱা স্বাধীনতা পুনৰ ফিৰাই আনিব পৰা যাব। অসমীয়া আকৌ স্বাধীন হ'ব। অৰ্থাৎ জাতীয় চিন্তাই প্ৰধানতঃ ক্ৰিয়া কৰিছিল। এনেবোৰ কথা আমি তাহানিতে কমৰেড্ মজুমদাৰৰ পৰা জানিব পাৰিছিলো। ভাৰতে তথাকথিত স্বাধীনতা পোৱাৰ পিছত অসমত বিপ্লৱী কমিউনিষ্ট দল প্ৰায় ১৯৫১ চন মানৰ পিছত ছেদেলি ভেদেলি হৈ পৰিছিল। তেতিয়া তিলক মজুমদাৰ, কবি ৰাম গগৈ, গজেন ফুকন এই তিনিজনে পুনৰ দলটো সংঘবদ্ধ কৰিবলৈ ঐক্যৱদ্ধ ভাৱে চেষ্টা কৰিছিল। বৰ্তমানে কবি ৰাম গগৈ নাই, নাই তিলক মজুমদাৰ আছে শ্ৰদ্ধেয় গজেন ফুকন। তিলক মজুমদাৰৰ মৃত্যুৰ খবৰ পোৱাৰ দিনা যোৱা ২১ মে' ৯৭ তাৰিখে গজেন ফুকন আমাৰ ঘৰতে আছিল। খবৰটো কোৱাত তেখেতে চকুপানী টুকি কৈছিল – "মোৰ লগৰ ঘনিষ্ঠ দুয়োজন সতীৰ্থই গলগৈ ।"

মোৰ লগে লগে তাহানি দিনৰ কথা মনত পৰিল। আমি মাৰ্ক্সবাদ শিকাৰ সময়ত মাও-চে-তুঙৰ কিতাপ পত্ৰ পঢ়া নিষিদ্ধ আছিল। কিতাপ পোৱা নগৈছিল। ১৯৭১ চনৰ নক্সালবাৰীৰ সংগ্ৰামৰ সময়ত নক্সাল বিপ্লৱী সকলক পশ্চিমবঙ্গত বলিয়া কুকুৰ মৰাদি মাৰিছিল। তাতো আজিৰ দৰেই ভাতৃঘাটী সংঘৰ্ষৰো সৃষ্টি কৰা হৈছিল। আমি তিলক মজুমদাৰৰ প্ৰেৰণাত আৰু চেষ্টাত ভালেমান মাক্সীয় সাহিত্য পঢ়িবলৈ সক্ষম হৈছিলো। তেওঁ কৈছিল — বিপ্লৱী সকল কঠোৰ অথচ মৰমিয়াল কিন্তু নিষ্ঠুৰ বা হিংসুক নহয়। বিপ্লৱীসকল কেৱল শক্ৰুৰ প্ৰতিহে কঠোৰ হ'ব লাগে আৰু সেয়েহে শক্ৰুমিত্ৰৰ চিনাক্তকৰণৰ ওপৰত গুৰুত্ব দিছিল। মিত্ৰশক্তিৰ ওপৰত ভুলতেও যদি কেতিয়াবা অন্যায় কৰা হয় তাৰ প্ৰতিক্ৰিয়া অতি ব্যাপক হয় আৰু সেয়ে বিপ্লৱী সকলে জনগণক শক্ৰু চিনাক্ত কৰি দিয়াৰ ক্ষেত্ৰত সদায় সজাগ হোৱা উচিত। জনগণৰ শক্ৰু চিনাক্তকৰণ অবিহনে জনগণৰ মূল সংগ্ৰাম আগুৱাই নিয়া সম্ভৱ নহয়।

তেওঁ আমাক আৰু কৈছিল – এতিয়া মহাভাৰতৰ যুগ নাই যে ভীমৰ দৰে গদা ঘুৰাই সমস্যা সমাধান কৰিব পৰা যায়।

জনগণৰ সমস্যা জনগণৰ নেতৃত্বৰ মাজেৰে সমাধান কৰিবলৈ জনগণক সক্ৰিয় কৰি তুলি প্ৰতিৰোধ সংগ্ৰাম গঢ়ি তুলিব লাগিব। গণ শক্তি অভ্যুত্থানৰ বাহিৰে বিপ্লৱ সম্ভৱ নহয় আৰু ইয়াৰ মাজেদিয়েই বিপ্লৱী সংগ্ৰাম আৰু সন্ত্ৰাসবাদৰ পাৰ্থক্য ডাঙি ধৰিছিল। বিপ্লৱীসকলক জনগণে ভয় নকৰে বৰঞ্চ নিজৰ পুত্ৰসমজ্ঞানহে কৰে, মৰমহে কৰে। আদি বহুত কথাই কৈছিল। বিপ্লৱী সকলৰ শ্ৰেণী সচেতনতা অন্যতম মৌলিক দিশ। ধনী ঘৰৰ পৰাও অহা প্ৰতিজন বিপ্লৱী ছাত্ৰই তেওঁৰ নিজৰ শ্ৰেণী চৰিত্ৰ ত্যাগ কৰি সৰ্বহাৰাৰ শ্ৰেণীচৰিত্ৰ গ্ৰহণ কৰিব লাগিব।

মই কমৰেডৰ লগত প্ৰধানতঃ কৃষকৰ মাজত কাম কৰাৰ আগ্ৰহ প্ৰকাশ কৰি তেওঁৰ লগত কৃষকৰ মাজত এটা সময়ত সোমাই পৰিছিলো। আমি যতেই জনগণৰ মাজত কাম নকৰো কিয়, সেইটো ডাঙৰ কথা নহয় – ডাঙৰ কথা হল সেই জনগণৰ লগত মিলি যাব পৰাকৈ আমাৰ চৰিত্ৰ গঢ়ি তোলা। সাধাৰণ খেতিয়ক তথা সাধাৰণ শ্ৰমিকৰ কথাবাৰ্তা, চলন ফুৰন আদি সকলো একে হ'ব লাগিব যাতে জনগণৰ মাজত কোনো কৃত্ৰিমতা ধৰা নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। জনগণৰ প্ৰতি থকা আমাৰ শ্ৰদ্ধা জনগণৰ সন্মুখত প্ৰমানিত হ'ব লাগিব। তেতিয়াহে জনগণে আমাক আপোন কৰি ল'ব পাৰিব আৰু মূল সংগ্ৰামত চামিল হ'ব। জনগণৰ পৰা শিক্ষা আহৰণ কৰিব লাগিব।

তেওঁ কৈছিল – পৃথিৱীলৈ অহা কোনো লোকৰে (উৎপাদনৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সম্পৰ্ক থকা) পৰিশ্ৰম নকৰাকৈ এসাজ আহাৰ খোৱাৰ অধিকাৰ নাই। সেয়ে বিপ্লৱীসকলে বিপ্লৱৰ কামকাজত কাৰোবাৰ ঘৰত আশ্ৰয় লোৱাৰ সময়ত সেই ঘৰৰ উৎপাদনৰ লগত জড়িত থকা যিকোনো শ্ৰমৰ লগত জড়িত হব লাগিব। একো কৰাৰ সুবিধা নাথাকিলে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ পঢ়াশুনাৰ তদাৰক কৰি ঘৰুৱা শিক্ষকৰ দৰে কামত এৰাতিৰ বাবে হলেও ব্যস্ত হোৱাৰ প্ৰয়োজন। শাৰীৰিক শ্ৰম বিমুখিতাই এজন বিপ্লৱীৰ মনত সুবিধাবাদৰ জন্ম দিব পাৰে। আচলতে সমাজখনেই তেওঁৰ নিজা ঘৰ বুলি ভাবিব পাৰিব পাৰিছিল।

কমৰেড্ তিলক মজুমদাৰৰ লগত মই যলৈকে গৈছিলো তাতেই শাৰীৰিক পৰিশ্ৰমৰ লগত জড়িত হৈছিলো। কৰবাত হাল বোৱা, কৰবাত কচুৰুবৰ বাবে কচুতলিত কোৰ মাৰি দি সেই ব্যক্তিজনক কচু ৰুবলৈ উৎসাহ দিয়া, মাটি ৰোৱা আদি, বাৰীঘৰ সজোৱা ইত্যাদি ইত্যাদি। তেওঁ কৈছিল – আমাৰ সমাজখন কৃষিপ্ৰধান সমাজ গতিকে কৃষি উৎপাদনমূলক সকলো কাম কাজ আয়ত্ব কৰি লোৱাটো এজন বিপ্লৱীৰ কাম। সঁচা অৰ্থতেই কমৰেড মজুমদাৰ এজন নিষ্ঠাবান বিপ্লৱী ব্যক্তি আছিল। সকলো কামেই তেওঁ নীতি নিষ্ঠাৰে পালন কৰিছিল।

১৯৭৬ চন মানলৈকে আমি একেলগে বিপ্লৱী কমিউনিষ্ট দলত আছিলো। আমি থকা কালত পাৰ্টিৰ ভিতৰত সংশোধনবাদ আৰু সুবিধাবাদৰ বিৰুদ্ধে সংগ্ৰাম কৰি সেই চনতেই পাৰ্টিৰ নগাওঁ জিলা অধিৱেশনত অধিৱেশন বৰ্জন কৰি পাৰ্টিৰ পৰা ওলাই আহি কিছুদিন আমি এটা সুকীয়া গোট কৰি ৰাজনৈতিক কাম-কাজ কৰিবলৈ আৰম্ভ কৰো। তেতিয়া আমাৰ লগত জখলাবন্ধাৰ গজেন ফুকন, মোছলেমউদ্দিন কবীৰ, ময়েজউদ্দিন আদি প্ৰায় ২০/২৫ জনমান সদস্যই পাৰ্টি আধিৱেশন বৰ্জন কৰি ওলাই আহিছিলো। তেতিয়া আমাৰ লগত বৃহৎ সংখ্যক যুৱক ছাত্ৰ-ছাত্ৰী আছিল। পিছলৈ তেওঁলোকক সংগঠিত কৰি জনগণৰ কাম-কাজৰ বাবে দুটা সুকীয়া সংগঠন গঢ়ি তোলাৰ লগতে নগাওঁ চহৰত ৰিক্সা ইউনিয়ন গঢ়ি তোলা হৈছিল। সদৌ অসম প্ৰগতিশীল নাৰী সংঘ আৰু সন্মিলীত যুৱ মৰ্চা নামেৰে দুটা গণ সংগঠনৰ জৰিয়তে কৰ্মীসকলক ধৰি ৰখাৰ সুন্দৰ পৰিকল্পনা কৰিছিল তিলক মজুমদাৰে।

OKDISCD

পিছত অৱশ্যে সন্মিলীত যুৱ মৰ্চাৰ তিলক মজুমদাৰে দিয়া ৰূপৰ পৰা মই ওলাই গৈ যোৰহাটত অভিৱৰ্ত্তন পাতি সন্মিলীত যুৱ মৰ্চা নামেৰে সুকীয়া বক্তব্যৰে সংগঠন গঢ়ি তুলি পোন প্ৰথমবাৰৰ বাবে ১৯৭৮ চনৰ শেষৰ ফালে অসমীয়া জাতিৰ জাতীয় আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দাবীত আন্দোলন গঢ়ি তোলাৰ ব্যৱস্থা হাতত লোৱা হয়। সন্মিলীত যুৱ মৰ্চাই সঠিক সময়তে অসমীয়া জাতিৰ আত্মনিয়ন্ত্ৰনৰ অধিকাৰ বিচৰাৰ বাবে বহু বুদ্ধিজীৱি আৰু কেইবাটাও ৰাজনৈতিক দলে বিৰোধীতা কৰিছিল। অসমীয়া কমিউনিষ্ট দল কৰা বুলি বদনাম ৰটিবলৈকো কুণ্ঠাবোধ কৰা নাছিল। কিন্তু আজি গোটেই ভাৰতবৰ্ষতে ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিসত্বাৰ জাতিৰ আত্মনিয়ন্ত্ৰণৰ আৰু সম অধিকাৰৰ দাবীত আকাশ বতাহ মুখৰিত হৈছে। সেই সময়ত বিৰোধীতা কৰা দল সমূহে আজি আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ কথা কোৱাতো আমাৰ বাবে আশ্চৰ্য্যজনক। যেনে মাছ দেখি তেনে জাল গোঠাৰ দৰে পৰিকল্পনা কৰা যেন লাগে। কাৰণ নিৰ্বাচনী প্ৰক্ৰিয়াৰ মাজেৰে যেনে তেনে ক্ষমতা দখলৰ চিন্তা। পিছত লাগিলে অসমীয়া জাতি তেহেলৈ যাওঁক। আনকি যোৱা নিৰ্বাচনত অসম গণ পৰিষদেও তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰত অসমীয়া জাতিৰ হকে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ বাবে দাবী তুলিব বুলি ঘোষণা কৰিছিল। কিন্তু এতিয়া আত্মনিয়ন্ত্ৰণৰ হকে কোনো কাম কৰা কাৰ্য্যতঃ পৰিলক্ষিত হোৱা নাই। বৰঞ্চ ইয়াৰ বিৰুদ্ধেহে কাম কাজত নামিছে।

মজুমদাৰৰ কথা কবলৈ গৈ সেই সময়ৰ কিছু প্ৰাসঙ্গিক কথা উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। ১৯৭৭ চন মানত তিলক মজুমদাৰে চি,পি,আই,এম,এল, দলত যোগদান কৰিছিল। তেওঁ কিছু বছৰ উক্ত দলৰ লগত থাকি অসমৰ বিভিন্ন ঠাইত কৃষক সংগঠন গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। কিন্তু ১৯৯০ চন মানৰ পৰা উক্ত দলৰ লগত সাংগঠনিক সম্পৰ্ক প্ৰায় ছেদ কৰিছিল বুলি আমাক লগ পাওঁতে বিভিন্ন সময়ত কৈছিল। একেবাৰে জীৱনৰ শেষৰ ফালে মৃত্যুৰ তিনিবছৰ মান আগৰ পৰা তেওঁ পৰিষ্কাৰ হৈছিল যে চি,পি,আই,এম,এল, দলৰ চিন্তাধাৰা তথা লাইন সঠিক নহয়। জাতীয় মুক্তি আন্দোলনৰ যোগেদিহে বিপ্লৱ সম্ভৱ হব পাৰে, সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন সাধন সম্ভৱ হব পাৰে এই কথা তেওঁ উপলব্ধি কৰিছিল। তেওঁৰ বিভিন্ন বক্তব্যৰ পৰা এই কথা ধৰা পৰিছিল। জনগণক জাতীয় চিন্তাৰে উদ্ধুদ্ধ কৰিব নোৱাৰিলে জনগণক বিপ্লৱলৈ আগুৱাই অনাটো সম্ভৱ নহয়– এই কথা সততে অনুভৱ কৰিছিল। তিলক মজুমদাৰৰ লগত মোৰ পাৰ্টিগত কোনো সম্পৰ্ক নাথাকিলেও আমাৰ মাজত গভীৰ বন্ধুত্বৰ সম্পৰ্ক আছিল। ১৯৯৬ চনৰ ফেব্ৰুৱাৰী মাহত "মাছ"ত যোগদান কৰাৰ পিছতো তেওঁক বহুবাৰ লগ পাইছিলো। তেওঁৰ মনৰ বহুত কথাই কৈছিল। অসমত হব ধৰা ভাতৃঘাটী সংঘৰ্ষ এৰাই চলিবৰ বাবে নানান উপায় চিন্তা কৰিছিল। অসমীয়া কথা কোৱা মানুহখিনিৰ লগতে বড়ো, কাৰ্বি, মিছিং, ডিমাছা আদি সকলোৰে একে সমস্যা, সকলোৱে ঐক্যৱদ্ধ ভাৱে সংগ্ৰাম কৰাৰ প্ৰয়োজনহে বেছি। শোষণ শাসন বৰ্তাই ৰাখিবলৈ শোষক গোষ্ঠীয়ে সদায় গোষ্ঠীদন্দ্ব তীব্ৰ কৰি তুলি ভাতৃঘাটি সংঘৰ্ষ সৃষ্টি কৰি শক্তিৰ অপচয় হোৱাতো বিচাৰে। এই কথা তেওঁ মোক বহুবাৰ কৈছিল। সেই কাৰণে তেওঁ মোক মাও-ছে-তুঙৰ নেতৃত্বত হোৱা চীন বিপ্লৱৰ কথাকৈ অসমৰ ইতিহাস গভীৰ ভাৱে অধ্যয়ণ কৰিবলৈ কৈছিল। এজন বিপ্লৱীৰ বাবে ইতিহাস অধ্যয়ণ অতি প্ৰয়োজন। অসমৰ ইতিহাস কেৱল আহোম বুৰঞ্জীয়েই নহয় কছাৰী, কাৰ্বি, মিছিং আদি নানা জনগোষ্ঠীৰ ইতিহাসো অধ্যয়ণ কৰা প্ৰয়োজন আৰু তাৰ ওপৰত প্ৰৱন্ধ পাতি লিখিবলৈ মোক পৰামৰ্শ দিছিল।

আমি দুয়ো বহু বছৰ একেলগে একেখন বিছনাতে শুই কটাইছিলো। কেতিয়াবা চহৰত থাকোতে লঘোনে থাকিব লগা হৈছিল। তেওঁ তেতিয়া মোক কৈছিল – "কমৰেড আজি বোধহয় তন্দুল নাই, হব দিয়ক।" এই কথাষাৰ মোৰ সদায় মনত থাকিব।

কেদাৰ বনোৱাৰ সময়ত তেওঁ সদায় সতৰ্ক আছিল। এজন মাক্সীয় ছাত্ৰৰ মানসিক দন্দ্ব সমূহ অধ্যয়ণ কৰি কি দৰে তাৰ বিকাশ কৰা যায় সেই সম্পৰ্কে আমি দুয়ো প্ৰায়ে আলোচনা কৰিছিলো। বন্ধুসকলক সদায় সমভাৱে ব্যৱহাৰ কৰাতো প্ৰয়োজন এই সত্য তেওঁ কাৰ্য্যতঃ প্ৰমাণ কৰিব পাৰিছিল। কোনো কাৰণতে অবাবত সময় নষ্ট নকৰিছিল। অকণমান আজৰি পালেই এখন কিতাপ লৈ ব্যস্ত হৈ পৰিছিল। মগজুটো জীয়াই ৰাখিবলৈকে অধ্যয়ণৰ প্ৰয়োজন তাৰ উদাহৰণ তেওঁ দিছিল এইদৰে – দা এখন পেলাই থলে মামৰে ধৰে। ঠিক মগজটোও সদায় কাৰ্য্যক্ষম কৰি ৰাখিবলৈ হলে অধ্যয়ণৰ প্ৰয়োজন।

তেওঁক কেতিয়াও ভগৱানৰ নাম লোৱা দেখা নাছিলো। ভগৱান আছে বুলিও বিশ্বাস নকৰিছিল। কিন্তু তেওঁ চাৰিটা নীতিত বিশ্বাস কৰি সেইমতে চলিছিল। তেওঁ —

(১) নিজে অন্যায় নকৰিছিল বা কোনো কাৰণতে সুযোগ সন্ধানী, সুবিধাবাদী মনোভাৱ লোৱা নাছিল।

(২) কোনোবাই কাৰোবাৰ প্ৰতি অন্যায় কৰিলে তাৰ প্ৰতিবাদ তাৎক্ষণিক ভাৱে কৰিছিল।

(৩) তেওঁ জনগণ ভাল পাইছিল আকৃত্ৰিমভাৱে।

(৪) সদায় তেওঁ শাৰীৰিক পৰিশ্ৰমৰ লগত জড়িত হৈ উৎপাদনৰ লগত সম্পৰ্ক ৰাখি চলিছিল।

কমৰেড আজি আমাৰ মাজত নাই সঁচা কিন্তু কমৰেডে দি যোৱা তেওঁৰ চিন্তা কাম-কাজ আদিৰ পৰা তেওঁ আমাৰ মাজত সদায়ে জীয়াই থাকিব। অকালতে তেওঁ আমাৰ মাজৰ পৰা আঁতৰি যোৱাত তেওঁৰ পৰা পাবলগীয়া বহু শিক্ষা আমাৰ বাবে আধৰুৱা হৈ থাকিল। তেওঁ আজীৱন নিজৰ স্বাৰ্থ, জলাঞ্জলী দি জনগণৰ অধিকাৰ সাব্যস্ত কৰিবলৈ, গণশক্তিৰ হাতত ক্ষমতা তুলি দিবলৈ অহৰহ সংগ্ৰাম কৰি কৰিয়ে আমাৰ মাজৰ পৰা গুছি গ'ল। হে কমৰেড়, তুমি আজি আমাৰ মাজত নাই কিন্তু তোমাৰ প্ৰেৰণা আমাৰ মাজত আছে।

কমৰেড় তোমাক লাল চালাম।

■

> অধ্যৱসায় মনত লুকাই থকা প্ৰতিভাৰ ফল, মনত প্ৰতিভা থাকিলে, কামত অধ্যৱসায় জন্মে।
>
> — সত্যনাথ বৰা

OKDISCD

# কমৰেড তিলক মজুমদাৰৰ বিয়োগত বেদনাসিক্ত স্মৃতিচাৰণ

■ অম্বু বৰা

মহামতি ভি.আই.লেনিনে এযাৰ কথা কৈছিল "মানুহে এবাৰহে জন্ম লাভ কৰে। গতিকে জন্মলাভ কৰি মানুহে এনে কাম কৰিব লাগে, যাৰ দ্বাৰা মৃত্যুৰ পিচত বহুযুগলৈকে মানুহে তেওঁৰ সেই কামৰ প্ৰসংশা কৰিব পাৰে"।

আধুনিক যুগৰ কবিৰ ভাষাৰে তাকেই কোৱা হয়– "মহামহা পুৰুষৰ চানেকীৰে জীৱনৰ আমিও কৰিব পাৰোঁ জীৱন গঢ়িত, অভিনয় শেষ হ'লে আয়ুবেলি মাৰ গলে থৈ যাব পাৰোঁ খোজ সময় বালিত"। কমৰেড তিলক মজুমদাৰৰ ৰাজনৈতিক জীৱন আৰম্ভ হৈছিল বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ছাত্ৰ সংগঠন অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেছন (APSF)ৰ এজন তীক্ষ্ণ বুদ্ধিসম্পন্ন নিৰ্ভীক ছাত্ৰকৰ্ম্মী হিচাপে। অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেছনৰ সক্ৰিয় কাৰ্য্যকলাপৰ মাজেদি ধিং অঞ্চলৰ যিসকল ছাত্ৰ নেতাই বিপ্লৱী কমিউনিষ্ট পাৰ্টিত যোগদান কৰিছিল, সেই সকলৰ ভিতৰত কমৰেড তিলক মজুমদাৰ আছিল কনিষ্ঠতম। কমৰেড বানেশ্বৰ শইকীয়া, দেৱবৰা, লক্ষী বৰুৱা, মিহিৰাম বৰা, কুঞ্জ নেওগ (প্ৰয়াত), মহেশ বৰা (প্ৰয়াত), ছামচুল হুদা, নৰেন বৰা, তুলাৰাম নাথ ইত্যাদি। সম্প্ৰতি ইয়াৰে দুজনমানে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ পৰা বহিস্কৃত হৈ অন্য পাৰ্টিত যোগ দিছে। কমৰেড তিলক মজুমদাৰো মৃত্যুৰ কেবাছৰমান আগতে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ পৰা বহিস্কৃত হৈ অন্য এটা কমিউনিষ্ট পাৰ্টিত যোগদান কৰিছিল আৰু মৃত্যুৰ সময়লৈকে সেই পাৰ্টিৰ নেতৃস্থানীয় সদস্যৰূপে কাৰ্য্যনিৰ্ব্বাহ কৰি আছিল।

অন্য পাৰ্টিত যোগদান কৰিলেও কমৰেড তিলক মজুমদাৰৰ কমিউনিষ্ট সুলভ চৰিত্ৰ অটুত আছিল। বিপ্লৱী কমিউনিষ্ট পাৰ্টিত থকা কালত কমৰেড মজুমদাৰ নগাওঁ জিলা কমিটিৰ সম্পাদক আৰু অসম ৰাজ্যিক কমিটিৰ সদস্য আছিল। পাৰ্টিৰ নেতৃত্বত হোৱা অসমৰ কৃষক আন্দোলন, বিশেষকৈ মাটিৰ জমিদাৰ, মহাজনৰ নিৰ্ম্মম শোষন, নিষ্পেষণৰ বিৰুদ্ধে আৰু চৰকাৰী পতিত মাটি দখলৰ বাবে হোৱা মাটিহীন কৃষকৰ আন্দোলন পৰিচালনাত যথেষ্ট ত্যাগ আৰু কষ্ট বৰণ কৰিছিল––কমৰেড মজুমদাৰে। কৃষক আন্দোলনৰ বাদেও অসমৰ তেল শোধানাগাৰ আন্দোলন আৰু খাদ্য আন্দোলনত নেতৃত্ব দি কমৰেড মজুমদাৰে কেবাবাৰো কাৰাবৰণ কৰে। পঞ্চাশৰ দশকত নগাওঁ জিলাত শ্ৰমিকসকলৰ মাজত সংগঠন গঢ়ি তোলাত প্ৰয়াত কমৰেড শিশিৰ নাগ, সুধীৰ ভট্টাচাৰ্য্য, নিৰ্ম্মল ৰাউত আৰু পৰমেশ প্ৰসাদ আদি শ্ৰমিক নেতা সকলৰ কৰ্ম্মপ্ৰেৰণাৰ উৎস আছিল কমৰেড তিলক মজুমদাৰৰ সেই সময়ৰ আপোচহীন সংগ্ৰামী ভূমিকা।

অৱশ্যে বিশ্বজোৰা ৰাজনৈতিক পটপৰিবৰ্ত্তন আৰু আৰ্থ সামাজিক গতিধাৰাত দেশে দেশে গঢ়ি উঠা নতুন চিন্তা চৰ্চ্চাৰ প্ৰভাৱ আৰু প্ৰক্ৰিয়াত চিন্তানায়ক সকলৰো কিছু দিকভ্ৰান্তি হোৱাটো স্বাভাৱিক। কিন্তু চিন্তাৰ মৌলিকতাৰ যদি স্খলন নঘটে, তেন্তে তাত বিভ্ৰান্তিৰ কোনো স্থান থাকিব নোৱাৰে। মাৰ্ক্সবাদ-দ্বন্দমূলক আৰু ঐতিহাসিক বস্তবাদী দৰ্শনৰ ভিত্তিত প্ৰতিষ্ঠিত এক পথনিৰ্দ্দেশন। Marxism is not a dogma, but guide to action"। সেয়ে পৰিবৰ্ত্তিত বাস্তৱ পৰিস্থিতি তথা অৱস্থা অনুযায়ী প্ৰয়োগ কৰাৰ বুৎপত্তি অৰ্জ্জন কৰাটোও মাৰ্ক্সবাদ জন্মত অনুশীলনৰ প্ৰতিফলন। দ্বন্দমূলক বস্তুবাদৰ সূত্ৰ ধৰিয়েই কমিউনিষ্ট সকলে সমাজ বিকাশৰ ধাৰা ব্যাখ্য কৰে আৰু কৰ্ত্তব্য নিদ্ধাৰণ কৰে। কিন্তু সৰ্বদায় শ্ৰেনী দৃষ্টিভঙ্গী অটুত ৰখাত সচেষ্ট থাকে। কমৰেড তিলক মজুমদাৰৰ মৃত্যুৰ প্ৰাকমূহুৰ্ত্তত এই বিষয়ত কিছু দ্যুদুল্যমানতা পৰিলক্ষিত হৈছিল।

১৯৯৬ চনৰ জানুৱাৰী মাহত ধিং অঞ্চলৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নতুন পুৰনি কৰ্ম্মী সকলক লগ ধৰিবৰ বাবে গুৱাহাটীৰ পৰা গৈ কমৰেড তিলক মজুমদাৰৰ ঘৰত কমৰেড জ্ঞানসিংহ, কমৰেড নীহাৰ মুখাৰ্জী আৰু মই লগালগি হওঁতে কমৰেড তিলক মজুমদাৰে নিসংকুচে এই কথা আমাক জনাইছিল যে, তেখেতে তেখেতৰ ৰাজনৈতিক স্থিতি পৰ্য্যালোচনা কৰিছে আৰু অবিলম্বে তেখেতে বিপ্লৱী কমিউনিষ্ট পাৰ্টিলৈ পুনঃ ঘূৰি আহিব। পিছে সেইটো আৰু হৈ নুঠিল। তথাপি কমৰেড মজুমদাৰৰ মৃত্যুত সাম্যবাদী আন্দোলনৰ এজন নিৰ্ভীক যুঁজাৰুক আমি হেৰুৱালোঁ। তেখেতৰ প্ৰতি আমি গভীৰ শ্ৰদ্ধা আৰু বিপ্লৱী অভিনন্দন জনাইছোঁ।

■

> যুক্তিবাদী মানুহে নিজকে পৃথিৱীৰ লগত খাপ খুৱাই লয়, যুক্তি নমনা মানুহে পৃথিৱীখনক নিজৰ লগত খাপ খুৱাই লবলৈ অবিৰামভাৱে চেষ্টা কৰি থাকে। গতিকে সমস্ত প্ৰগতি নিৰ্ভৰ কৰে কেৱল যুক্তি নমনা লোকসকলৰ ওপৰত।
>
> জৰ্জ বাৰ্ণাৰ্ড শ্ব'

OKDISCP

# তিলক মজুমদাৰৰ সোঁৱৰণিত

■ ড° ৰিয়াজ উদ্দিন আহমেদ

তিলক মজুমদাৰক মই প্ৰথমে লগ পাইছিলোঁ মোৰ ছাত্ৰ অৱস্থাত এজন অনশনকাৰী হিচাপে। ১৯৫৮ চনত তেখেতৰ নিজৰ দল বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সিদ্ধান্তক্ৰমে তেখেতে ধিং বজাৰত ৰাজপথৰ দাঁতিত ৫ দিনীয়া অনশন পালন কৰিছিল। তেওঁৰ দাবী আছিল দুৰ্ভিক্ষ জনিত পৰিস্থিতিত দৰিদ্ৰ কৃষক শ্ৰমিক জনসাধাৰনৰ বাবে আৰ্থিক আৰু অত্যাৱশ্যকীয় দ্ৰব্য সামগ্ৰীৰ সাহায্য বিতৰন। অনশনৰ আৰম্ভনীতে তেখেতে দিয়া অগ্নিময়ী ভাষণে উপস্থিত সকলো ৰাইজকে অভিভূত কৰিছিল। ১৯৬৭ চনত মেহনতী জনতাৰ অধিকাৰ সাব্যস্ত আন্দোলনত তেখেতে সক্ৰিয় ভূমিকা পালন কৰিছিল। আৰু কিছুদিন কাৰাবাস খাটিছিল। যাঠিৰ দশকৰ শেষৰ ফালে অসমত মাৰ্ক্সবাদী আন্দোলন আৰু অধ্যয়নে গা কৰি উঠিছিল আৰু সেই সময়ত মোৰ বিভিন্ন মাক্সবাদী পণ্ডিত আৰু কৰ্মীৰ লগত চিনা পৰিচয় আৰু মত বিনিময় হৈছিল। ১৯৬৭ চনৰ পৰাই তিলক মজুমদাৰৰ লগত মোৰ চিনা পৰিচয় আৰু মাক্সবাদী দৰ্শন সম্পৰ্কে তেওঁৰ লগত মোৰ মত বিনিময় হৈছিল। তিলক মজুমদাৰৰ লগত আমি বিভিন্ন মাৰ্ক্সবাদী আলোচনা চক্ৰত অংশগ্ৰহণ কৰিছিলো. সত্তৰৰ দশকত পুষ্পেন্দ্ৰ নাথ, তিলক মজুমদাৰ আৰু বৰ্তমান লিখক লগলাগি কি বজাৰৰ ৰাস্তাৰ দাঁতিত মাক্সবাদী দৰ্শন সম্পৰ্কে জনশিক্ষাৰ উদ্দেশ্যে আমি কেইটামান ৰাস্তাৰ চুক সভা কৰিছিলো। মাৰ্ক্সবাদী দৰ্শনৰ তত্বগত দিশত তিলক মজুমদাৰৰ গভীৰ অধ্যয়ণ আছিল আৰু এই ক্ষেত্ৰত ব্যৱহাৰিক দিশত কোনো ধৰণৰ আপোচ তেওঁ ভালপোৱা নাছিল। মাৰ্ক্সবাদী দৰ্শনৰ ব্যৱহাৰিক আৰু প্ৰয়োগৰ ক্ষেত্ৰত আপোচ কৰা কাৰনে দলৰ নেতৃত্বৰ লগত মজুমদাৰৰ সংঘাত হবলৈ আৰম্ভ কৰিছিল আৰু ফলত আশীৰ দশকৰ আৰম্ভনীত তেখেতে নিজৰ উপদল সহ আনুষ্ঠানিক ভাৱে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ পৰা ওলাই আহে। বিপ্লৱী সাজপাৰ একমাত্ৰ বিধায়ক সাংসদ হোৱা আৰু নিজৰ সা-সম্পতি বৃদ্ধি কৰা ৰাজনীতি তেওঁ ঘিন কৰিছিল আৰু তেনেকুৱা ৰাজনীতিৰ অংশীদাৰ হবলৈ মজুমদাৰ প্ৰস্তুত নাছিল। মেহনতী জনতাৰ ৰাষ্ট্ৰ ক্ষমতা দখলৰ মূল লক্ষ্যৰ পৰা আঁতৰি যোৱা ৰাজনীতি তেওঁ বেয়া পাইছিল। তেওঁ আশীৰ দশকত তেওঁ মাৰ্ক্সবাদী লেনিনবাদী (ভাস্কৰ নন্দী গ্ৰুপ) দলৰ লগত জড়িত হৈ আছিল। নব্বৈৰ দশকত ৰাছিয়াত কমিউনিষ্ট চৰকাৰৰ পতনৰ পিছত বিশ্ব কমিউনিষ্ট আন্দোলন আঘাত প্ৰাপ্ত হয় আৰু ভাৰততো কমিউনিষ্ট আন্দোলন কিছু পৰিমানে স্তিমিত হৈ পৰে। তিলক মজুমদাৰ কিন্তু হতাশগ্ৰস্ত হোৱা নাছিল। তেওঁৰ অন্তৰত বিপ্লৱৰ জুই অনবৰত জলি আছিল। ঘৰ-সংসাৰ আৰু ধন-দৌলত আহৰণ আদিৰ প্ৰতি তেখেতৰ আছিল, চিৰকলীয়া অনীহা। বুৰ্জোৱা নৈতিকতা বুৰ্জোৱা ধৰ্ম আৰু ধ্যান ধাৰণা তেওঁ সদায় সন্দেহৰ দৃষ্টিত চাইছিল আৰু কু-সংস্কাৰৰ ঠাইত বৈজ্ঞানিক দৃষ্টিভঙ্গী প্ৰয়োগ হোৱাটো বিচাৰিছিল। বুজোৱা নৈতিকতাৰ প্ৰতি প্ৰত্যাহ্বান জনাই তেওঁ পুৰোহিত নোহোৱাকৈ ৰাইজৰ সাক্ষী সমন্বিতে তেওঁ আশীৰ দশকৰ আৰম্ভত বিবাহ কৰে।

বিপ্লৱ নহব পাৰে কিন্ত বিপ্লৱৰ কাৰ্য্য আগুৱাই নিবই লাগিব সেই ধাৰনা তেওঁৰ আজীৱন আছিল। ১৯৯৪-৯৫ চনত তেওঁ মানৱ অধিকাৰ সংগ্ৰাম সমিতিত যোগদান কৰে। মাছ যদিও মাৰ্ক্সীয সংগঠন নহয় তথাপি একেবাৰে নিষ্ক্ৰিয় হৈ থকাতকৈ জাতীয় মুক্তি আন্দোলনৰ লগত জড়িত সংগঠনৰ মাধ্যমত বিপ্লৱৰ কাম কিছু পৰিমানে হলেও আগবঢ়াই নিব পাৰিলেও সমাজৰ উপকাৰ হব সেই লক্ষ্য আগত লৈ তেখেতে 'মাছ'ৰ অধ্যক্ষ নিযুক্ত হয়। ৰাষ্ট্ৰযন্ত্ৰৰ ৰোষত পৰি '৯৭ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত তেওঁ এমাহ কাৰাবাস খাটে। যোৱা ২০ মে'ত (মঙ্গলবাৰ) আকস্মিক ভাবে হোৱা অসুখত তেখেতে ইহলীলা সম্বৰন কৰিলে।

বিগত এশবছৰত ধিঙত যি কেইগৰাকী সু-সন্তান জন্মগ্ৰহণ কৰিলে, সেই সকলৰ ভিতৰত তিলক মজুমদাৰ অন্যতম। মাৰ্ক্সবাদী দৰ্শনৰ ছাত্ৰ হিচাপে তেখেতৰ স্থান অতি উজ্জ্বল। মই ভাবো যে মাৰ্ক্সবাদী দৰ্শন অধ্যয়ণ অবিহনে এজন মানুহ যিমানেই শিক্ষিত নহওঁক তেওঁৰ শিক্ষা সদায় আংশিক অসম্পূৰ্ণ আৰু বিশৃঙ্খলাপূৰ্ণ হৈ থাকিব। বৰং কব পাৰি যে মাৰ্ক্সবাদী দৰ্শন যি অধ্যয়ন কৰা নাই তেওঁ মাকৰ পেটত আছে আৰু তেওঁৰ জ্ঞান তেনেই তৰল। মাৰ্ক্সবাদী দৰ্শনৰ একাগ্ৰ ছাত্ৰ হিচাপে মজুমদাৰৰ স্থান চিৰ অমৰ হৈ থাকিব। আচাৰ ব্যৱহাৰত আছিল অতি নম্ৰ অমায়িক আৰু দৰিদ্ৰ জনসাধাৰনৰ স্বাৰ্থত তেখেতে জীৱন উছৰ্গা কৰিবলৈ সদায় প্ৰস্তুত আছিল। মাৰ্ক্সবাদ লেনিনবাদৰ নিষ্ঠাবান ছাত্ৰ হিচাপে মজুমদাৰৰ স্থান যে সোনকালে পূৰণ হব সেইটো আশা কৰিব নোৱাৰি।

মজুমদাৰ, আপুনি আমাক এৰি হঠাৎ গুছি গল, আপোনালৈ আমাৰ আন্তৰিক সশ্ৰদ্ধ লাল চালাম।

■

OKDISCD

# জনগণৰ বন্ধু তিলক মজুমদাৰ

■ শেৱালী কাকতি

মানুহৰ জীৱনত মৃত্যু অপৰিহাৰ্য্য বুলি জানিলেও কোনো কোনো মানুহৰ মৃত্যুৱে মানুহক মৰ্মাহত কৰে। তেনে এজন মানুহক হেৰুৱাৰ বেদনাৰে গধুৰ বোজা কঢ়িওৱা খুউব কঠিন হৈ পৰে। তেনে এক মৃত্যুৰ নাম তিলক মজুমদাৰ।

কমৰেড তিলক মজুমদাৰ এজন সঁচা বিপ্লৱী। ১৯৪৭ চনৰ ১৫ আগষ্টত লাভ কৰা তথাকথিত ভাৰতৰ স্বাধীনতাক প্ৰত্যাহ্বান জনাই বিপ্লৱী কমিউনিষ্ট দলে ভাৰতৰ স্বাধীনতাৰ কাৰনে সশস্ত্ৰ বিপ্লৱৰ প্ৰস্তাৱ পাৰ্টিৰ বীৰভূম অধিৱেশনত পাছ কৰে। বিষ্ণু ৰাভা, হৰি বৰবৰুৱাকে আদি কৰি অসংখ্য বিপ্লৱীয়ে বিপ্লৱৰ ৰনুৱা হৈ কামত লাগি যায়। তিলক মজুমদাৰ দেৱেও সেই সময়ত এই দলৰ প্ৰতি আকৃষ্ট হয় আৰু বিপ্লৱৰ আদৰ্শ গ্ৰহণ কৰে। সেই সময়ত পাৰ্টি আণ্ডাৰ গ্ৰাউণ্ড আছিল আৰু তেওঁ সৰ্বক্ষণ কৰ্মী হিচাবে কাম কৰিছিল। লাহে লাহে সংশোধনবাদ আৰু নিৰ্বাচনৰ জৰিয়তে ক্ষমতা দখলৰ সুবিধাবাদী ৰাজনীতি পাৰ্টিত গা কৰি উঠে আৰু বুজন সংখ্যক সদস্যই এই ৰাজনীতিৰ সৈতে চামিল হয়। কিন্তু তিলক মজুমদাৰৰ চিন্তাত সংশোধনবাদ আৰু সুবিধাবাদে ক্ৰিয়া কৰিব নোৱাৰিছিল যাৰ ফলত তেওঁ পাৰ্টিৰ ভিতৰতে সংশোধনবাদৰ বিৰুদ্ধে দ্বন্দ্ব চলাই গৈ আছিল। ১৯৭৩-৭৪ চন মানত পাৰ্টিৰ লগত তেওঁৰ মতানৈক্যৰ পৰিসৰ বহু বেছি হৈ গৈছিল যাৰ ফলত তেওঁৰ সৈতে এক বৃহৎ সংখ্যক কৰ্মীয়ে বিপ্লৱী কমিউনিষ্ট দল পৰিত্যাগ কৰি ওলাই আহিছিল।

সঁচা বৈপ্লৱীক চিন্তাধাৰাৰে পুষ্ট এটা প্ৰকৃত বিপ্লৱীদলৰ সন্ধানত থাকি তেওঁ নানা আলোচনা বিলোচনাৰ মাজেৰে কেইজনমান সতীৰ্থসহ চিপিআই (এমএল)ৰ ভাস্কৰ নন্দী গ্ৰুপত যোগদান কৰিছিল। ইয়াতো তেওঁ নগাওঁ জিলাৰ সৰ্বক্ষণ কৰ্মী হিচাবে কাম কৰিছিল। "খেতিয়ক সন্থা" আৰু "প্ৰগতিশীল নাৰী সন্থা"ৰ দৰে দুটা গণসংগঠন তেওঁৰ নেতৃত্বতে গঢ় লৈ উঠিছিল। গণসংগঠনৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব দিছিল আৰু কৃষক শ্ৰমিক সকলৰ অধিকাৰ আৰু প্ৰাপ্যৰ বাবে এই সংগঠন সমূহৰ জৰিয়তে সংগ্ৰাম কৰি গৈছিল। নগাওঁ চহৰত সেই সময়ত ৰিক্সা চালক সকলৰ মাজত "সদৌ নগাওঁ জিলা ৰিক্সা চালক সন্থা" নামৰ এটা সংগঠন গঢ়ি তুলিছিল।

তিলক মজুমদাৰৰ আদৰ্শৰ ওপৰত অগাধ বিশ্বাস আছিল। নিজৰ নীতি আৰু আদৰ্শত অচল অটল হৈ থাকি আজীৱন দৰিদ্ৰতাক সাৰটি লৈছিল। এটা কাপোৰৰ মোনা, ভিতৰত কেইখনমান কিতাপ, এযোৰ ধুতি চুৰিয়া আৰু সাধাৰণ চেণ্ডেল এযোৰেৰে তেখেতক সদায় লগ পাইছিলো। বিপ্লৱী আদৰ্শ কঢ়িয়াই তেওঁ ইঠাইৰ পৰা সিঠাইলৈ গৈ ছাত্ৰ যুৱক কৃষক শ্ৰমিক সকলৰ মাজত সোমাই পৰিছিল। আণ্ডাৰ গ্ৰাউণ্ড পাৰ্টিৰ লগত সদায় গণ সংগঠনৰ প্ৰয়োজন এই কথা তেওঁ মৰ্মে মৰ্মে উপলদ্ধি কৰিছিল। এই গণ সংগঠন সমূহৰ জৰিয়তে কিছুমান সাধাৰণ ঐক্যমতৰ দাবী লৈ সকলো স্তৰৰ সাধাৰণ মানুহক জড়িত কৰাৰ পৰিকল্পনা কৰিছিল। মানুহৰ মনত নিজৰ প্ৰাপ্য আৰু অধিকাৰ সম্পৰ্কে সচেতন কৰিবলৈ তেওঁ সদায় প্ৰয়াস কৰিছিল। কৰ্মীসকলক প্ৰয়োজনীয় উৎসাহ আৰু প্ৰেৰণা দিবলৈ সদায় চেষ্টা কৰিছিল।

কমৰেড তিলক মজুমদাৰৰ জীৱনৰ কাম কাজ বিশ্লেষণ কৰিলে দেখা যায় যে বিপ্লৱৰ স্বাৰ্থতে তেওঁ দল বদলাইছিল যদিও তেওঁৰ আদৰ্শৰ পৰা বিচ্যুত হোৱা নাছিল। "মাছ যেনেকৈ পানী অবিহনে জীয়াই থাকিব নোৱাৰে ঠিক তেনেকৈয়ে বিপ্লৱী কৰ্মীসকলো জনগণক বাদ দি থাকিব নোৱাৰে। বিপ্লৱী কৰ্মীসকলক তেওঁ এইদৰেই কৈছিল। জনগণৰ পৰা বিছিন্ন হৈ একো বিপ্লৱ হব নোৱাৰে। জনগনেই বিপ্লৱক আগবঢ়াই লৈ যাব। বিপ্লৱৰ স্বাৰ্থত বিপ্লৱী কৰ্মীসকলক জনগনেই সুৰক্ষা দিব।

চি পি আই (এম, এল) দলৰ সুবিধাবাদী ৰাজনীতিয়ে তেখেতক পুনৰবাৰ ভবাই তুলিলে। আশীৰ দশকৰ উগ্ৰজাতীয়তাবাদী চিন্তাধাৰাই তেখেতক আদৰ্শচ্যুত কৰিব নোৱাৰিছিল। সেই সময়ত অন্যান্য বামপন্থী কৰ্মীসকলে সন্মুখীন হোৱাৰ দৰে তেৰো নানা বিপৰ্য্যয়ৰ সন্মুখীন হৈছিল। কেইবাবাৰো হত্যাৰ চেষ্টা চলিছিল। বাৰুকৈয়েহে সাৰি যায়। তথাপি নিজৰ আদৰ্শত অচল অটল হৈ আছিল। কিন্তু লাহে লাহে পাৰ্টিৰ নেতাসকলৰ সুবিধাবাদী আচৰণে তেখেতৰ মোহ ভংগ ঘটাইছিল আৰু প্ৰায় নিষ্ক্ৰিয় হৈ পৰিছিল।

কিন্তু আজীৱন বিপ্লৱী আদৰ্শৰে পৰিপুষ্ট তিলক মজুমদাৰ সৰহদিন নিষ্ক্ৰিয় হৈ থাকিব পৰা মানুহ নাছিল। জাতীয় মুক্তি আন্দোলনৰ ওপৰত তেওঁ বিচাৰ বিশ্লেষন কৰি আছিল। আন্দোলন দমনৰ নামত চৰকাৰে চলোৱা হত্যা, দমন, নিৰ্য্যাতনে তেওঁক ভবাই তুলিছিল। অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আৰু মানুহৰ অধিকাৰক সুৰক্ষা দিবৰ বাবে তেওঁ "মানৱ অধিকাৰ সংগ্ৰাম সমিতিত" (MASS) যোগদান কৰিছিল বুলি আমাক কৈছিল।

বিপ্লৱী আদৰ্শ আৰু নীতি নিষ্ঠাৰে পৰিপুষ্ট তিলক মজুমদাৰক কোনো ব্যক্তিগত তথা সাংসাৰিক চিন্তাই টলাব নোৱাৰিছিল। আজীৱন দৰিদ্ৰতাক সাৱটি লৈয়ো তেওঁ জনগনৰ মুক্তিৰ স্বাৰ্থতে সদা সৰ্বদা ব্যস্ত হৈ আছিল। কেডাৰ ৰিকুইটমেণ্টৰ (Recuritment) ক্ষেত্ৰত তেখতৰ বিশেষ পাৰদৰ্শিতা আছিল আৰু গনসংগঠণ সমুহৰ জৰিয়তে লাভ কৰা কৰ্মীসকলৰ মানসিক দৃঢ়তা আৰু আদৰ্শক আগবঢ়াই লৈ যোৱাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

নিৰহংকাৰী, ধীৰ স্থিৰ, আদৰ্শৰ ক্ষেত্ৰত কঠোৰ মজুমদাৰ দাদা সমালোচনা আৰু আত্ম সমালোচনাৰে মুখৰ হৈ উঠিছিল। মাছত যোগ দিয়াৰ আগতে তেখেতে কৈছিল যে নিষ্ক্ৰিয় হৈ বহি গলেই তেওঁৰ মৃত্যু অনিবাৰ্য্য। এজন প্ৰকৃত বিপ্লৱীয়ে জনগনক বাদ দি ব্যক্তিগত চিন্তাচৰ্চা কৰি জীয়াই থাকিব নোৱাৰে। মজুমদাৰ দাদাই ইয়াৰ প্ৰকৃত উদাহৰণ।

নানা ঘাট-প্ৰতিঘাটৰ মাজেদি ৰ'দে-বৰষুণে, জাৰে-জহে, ম'হ-ডাঁহৰ কামোৰ খাই লঘোনে ভোকে জনগনৰ কাম কৰি থাকোতে কোনোদিন অসুখ বিসুখ নোহোৱা মজুমদাৰদাক জেলৰ পৰা ওলোৱাৰ পিছতে কেনেকৈ কিডনিৰ অসুখে আক্ৰমন কৰিলে আৰু তিনি চাৰিদিনৰ ভিতৰতে শেষ কৰি লৈ গ'ল ভাবিলে আচৰিত যেন লাগে। নিৰ্য্যাতনৰ প্ৰতিবাদ কৰোতে কৰোতে নিজেই নিৰ্য্যাতিত হৈ গল নেকি?

তিলক মজুমদাৰৰ মৃত্যুৱে সাময়িক শূন্যতাৰ সৃষ্টি কৰিলেও তেখেতৰ আৰ্দশ আৰু নীতিনিষ্ঠা সদায় আমাৰ মাজত জীয়াই থাকিব। নিৰ্য্যাতিত নিষ্পেষিত জনগনৰ বাবে কৰা তেওঁৰ উৰ্ছগিত প্ৰাণক জনগনে সদায় মনত ৰাখিব। এপাহী ৰক্তজবা তেখেতৰ বেদীত ৰাখি প্ৰাৰ্থনা কৰিলো। বিপ্লৱী তিলক মজুমদাৰ অমৰ হওঁক। ■

# মৃত্যুঞ্জয়ী বীৰ তুমি

■ দীপক বৰা

প্ৰখৰ ৰ'দ। গ্ৰীষ্মৰ তাপে আমনি কৰা এটা নিজান দুপৰীয়া লগ পাইছিলো মানুহজনক, এজন অনুজ সতীৰ্থৰ সহযোগত। অকৃত্ৰিম হাঁহিৰে গাম্ভিৰ্য্যপূৰ্ণটা পৰিবেশত ভাব বিনিময়ৰ মাজেৰে ঘনিষ্ঠ হৈছিল আমাৰ অন্তৰআত্মা। এজন নক্সালবাদী নেতা আৰু কলাগুৰু বিপ্লৱী সৈনিক শিল্পী বিষ্ণুৰাভা দেৱৰ যোগ্য সতীৰ্থক লগ পায় শ্ৰদ্ধাত মূৰ দো-খাই গৈছিল। এক অদম্য মানবীয় প্ৰমূল্যবোধৰ সৃষ্টি পুৰুষযাৰ আদৰ্শ, দৃঢ়তা, সততা আৰু নিৰ্ভীকতাৰে প্ৰকৃত বৰ্তমানক সোঁৱৰাব খোজে এক অনাবিল প্ৰেৰণা। এচাম পৰিস্কাৰ কাপোৰৰ মাজেৰে গাম্ভিয্যপূৰ্ণ পদলেহন কাৰী ধুৰ্ত শিয়ালৰ দৃষ্টিৰ বিপৰীতে ন্যায়, সাহস, উদ্দীপনাৰ জাতীয় চেতনা সম্পন্ন ব্যক্তিত্বৰ নিভাজ প্ৰতিফলন ঘটিছিল যাৰ জীৱনত। তিক্ততাপূৰ্ণ ৰাজনৈতিক বাতাবৰনতো অফুৰন্ত ইচ্ছা শক্তি, কৰ্ম শক্তিৰে, অতীতৰ পৰা বৰ্তমানলৈ আদৰ্শক ধৰি ৰখা তেনে নিৰ্ভেজাল প্ৰেৰনাৰ উৎস বিছাৰি পাইছিলো পূজ্য তিলক মজুমদাৰ খুৰাৰ কাষত বহি।

মানুহৰ মৃত্যু আৱশ্যাম্ভাৱী। মৃত্যুয়ে কাৰোবাক মচিব নোৱাৰা সাঁচ পেলায়, যদিহে প্ৰচলিত ধাৰাৰ বিপৰীতে পৰিবৰ্তন কামী চিন্তাৰ সাৰ পানী যোগায় সমাজত। পঙ্কিলতাপূৰ্ণ সমাজ ব্যৱস্থাৰ স্বাৰ্থান্ধ কিম্বা মুনাফা লভা ৰাজনৈতিক নেতাৰ প্ৰশ্নক ধৃষ্টতা কৰা দেশনেতাৰ কোপদৃষ্টিত এনে এক মৃত্যুক স্বাভাৱিক বুলি স্বীকাৰ কৰিলেও আমি অন্ততঃ নকৰো। ছহিদৰ প্ৰকৃত তাৎপৰ্য্যক হৃদয়ঙ্গম নকৰি আবেগৰ দ্বাৰা পৰিচালিত সময়ক অধিক গুৰুত্ব দি ক্ষমতাৰ বাঘ জৰিৰে ঘৃননীয় অতীতক পাহৰি বৰ্ত্তমানক অস্বীকাৰ কৰা আজিৰ বাস্তৱিকতাই এটা জাতিৰ গতিপথ কোন দিশে গতি কৰিছে সিও এক চিন্তনীয় বিষয়। দৰাচলতে, আমি প্ৰত্যেকে নিজস্ব সুখ স্বাচ্যন্দৰ কথা পৰিহাৰ কৰি আত্মসচেতনতাৰে সমাজৰ আমূল পৰিবৰ্ত্তনৰ চিন্তাৰ উত্তৰণ ঘটাব নোৱাৰিলে, তেনে মূৰ্হুত্বলৈকে কঠিন বাস্তৱতাত দুৰ্ব্বল মনৰ পৰিচয়ৰ অভাৱ ন'হব।

বৰ্তমান অসমৰ এই জটিল সন্ধিক্ষণত বয়সৰ বিয়লি বেলাত ভৰি দি নিৰ্ভীক ও সৰল ভাবে নিপিড়ীত নিৰ্য্যাতিত জনগনৰ গন সংগ্ৰামৰ প্ৰাপ্য অধিকাৰ বিচাৰি উদাত্ত কণ্ঠত বক্তব্য শ্ৰৱন কৰিছিলো, প্ৰতিটো অনুষ্ঠানত তেখেতৰ দেশৰ মাটি পানী সংমৃশিত সাৰুৱা ভাষণত। অনুসন্ধিৎসুতাৰে শ্ৰমজীৱি জনগনৰ আমঠুৰ প্ৰৱক্তা খুৰাৰ আদৰ্শ আমাৰ মনত সদায় সজীৱ হৈ থাকিব। কালৰ স্বীকাৰ্য্যতাত এনে আকস্মিক, বস্তুৰ গতি স্থিতি বিহীনতাৰ দৰেই মানৱ জীৱয়ো তদ্ৰপ।

দূৰ্ঘটনাই আঘাট হানিলেও আমি জীয়াই ৰাখিম নতুন প্ৰজন্মলৈকে স্মৃতিৰ মানস পটত।

জাতীয় অনুভূতিৰ ভাৱ প্ৰৱনতাই ক্ৰিয়া কৰা অসমৰ জলন্ত সমস্যা ৰাজিক যুক্তি যুক্ততাই প্ৰতিষ্ঠা লভাৰ ধাৰাক ঢাকি ৰাখিব খোজা ৰাষ্ট্ৰীয় ফেচিষ্ট চৰিত্ৰৰ উদাহৰন অসমৰ পেক্ষাপটত বিৰল। সেয়ে ৬৫ বছৰীয়া জীৱনতো কাৰাগাৰী জীৱন কটাব লগা হৈছিল। সময়ত পিঠি সলনি কৰা দুমুখীয়া চৰিত্ৰৰ তথাকথিত সামাজিক ভণ্ডৰ ওচৰত আনুগত্য স্বীকাৰ নকৰাৰ বাবেই। সুযোগ সন্ধানীৰ ভূমিকাৰ শুভকাঙ্খীৰ ভেজাল চৰিত্ৰক অনুধাৱন কৰিব শিকিছো। ব্যতিক্ৰমধৰ্মী পৰম্পৰাক আঘাট হানি উদ্দেশ্যৰ পৰা বিচলিত কৰাৰ প্ৰচেষ্টা শুভ লক্ষণ নহয়।

সংঘাট পূৰ্ণ অৱস্থাত নিষ্ঠাৰে মনৰ ভাৱ বিনিময়ৰ দ্বাৰা এই অসাধাৰন ব্যক্তিত্বই নতুন পুৰুষলৈ সিচিগল উজ্বল ভবিষ্যতৰ সংগ্ৰামী ফিৰিঙতি। এতিয়া কথা হ'ল নিৰিহ জনৰ দৰে শেষ নিশ্বাস ত্যাগ কৰি................ ৰাখিব লাগিব এনে সত্বাক, যি নিপিড়ীতৰ মুক্তিৰ নিচুকনি গীত গোৱা আমৃত্যু বিপ্লৱী। বিপ্লৱৰ ন্যায় চেতনাক কৌশলেৰে দমাই ৰখা স্পৃহাক এদিন জনগনে জবাব লবই। অভাৱৰ তাড়নাই স্বভাৱক ধৰি ৰখা শোষন বঞ্চনাৰ অনুশ্লেষণ কৰিব নোৱাৰাটো এটা জাতিৰ বাবেই হাস্যকৰ পৰিণতি। ক্ৰতিপূৰ্ণ সমাজ ব্যৱস্থা পৰিবৰ্তনৰ আকাঙ্খাটো মানুহৰ সহজাত প্ৰবৃত্তি। এনে এক মহান বাস্তৱতাবাদী পৰিবৰ্তন কামীৰ অকাল বিয়োগত সমাজৰ এখন ইতিহাস পুৰি পেলোৱা যেন উপলব্ধি কৰিছো।

শ্ৰদ্ধাৰে সোঁৱৰিছো, হে মহান—স্তব্ধ হোৱা হৃস্পন্দনৰ বিশাদে অশ্ৰু বোৱাই ন্যায্য স্বাধীনতাৰ থাপনাত স্মৃতি প্ৰজ্বলিত হৈ ৰব চিৰ দিনলৈ........................

"যি ফেচিষ্টৰ স্বাৰ্থত মৃত্যুবৰন কৰে তাৰ মৃত্যু চৰাই পাখিতকৈ পাতল
যি জনগনৰ স্বাৰ্থত মৃত্যুবৰণ কৰে সেই মৃত্যু থাই পৰ্বতকৈও গধুৰ –
(মাও চে তুং)

☯

> অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু সৰু জুৰি নিজৰি উপনৈ সমন্বিত শক্তিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে। কোনো প্ৰতিক্ৰিয়াশীল শক্তিয়ে যেনেকৈ ব্ৰহ্মপুত্ৰক ভেটিব নোৱাৰে, তেনেকৈ কোনো চক্ৰান্তকাৰী যড়যন্ত্ৰকাৰীয়ে অসমীয়া কৃষ্টি সংস্কৃতি, সাহিত্যৰ সৰ্বনাশ সাধন কৰিব নোৱাৰে। যদি কোনোবাই ভেটা দিয়ে, হেঙাৰ দিয়ে, ব্ৰহ্মপুত্ৰই সেই ভেটা ভাঙি মহাসাগৰৰ ফালে ঢাল খাবই। ঠিক তেনেকৈ সকলো চক্ৰান্ত মষিমূৰ কৰি — অসমীয়া কৃষ্টি সংস্কৃতি বৈচিত্ৰ্য ঐক্যৰ প্ৰবল সমন্বিত শক্তিও মহামানৱতাৰ ফালে ঢাল খাবই। — বিষ্ণু ৰাভা

ODISCD

# দেউতাক মই কেনেদৰে পাইছিলোঁ

■ উৎপলা মজুমদাৰ

দেউতাৰ মৰম মই ১১ বছৰ বয়সৰ পৰাহে অনুভৱ কৰো আৰু তেতিয়াৰ পৰাই সন্তানৰ প্ৰতি দেউতাৰ স্নেহ উপলব্ধি কৰো। দেউতা মানুহজন মোৰ দৃষ্টিত এজন সচাঁ বিপ্লৱী আছিল। দেউতা, মৰমীয়াল, পৰোপকাৰী, সাহসী, স্পষ্টবাদী, দয়ালু, ত্যাগী উদাৰ মনা আৰু মাক্স-লেনিনৰ আদৰ্শক খামুচি থকা এজন সচাঁ বিপ্লৱী ৰূপে। দেউতাৰ বিনম্ৰ ব্যৱহাৰে শত্ৰুৰ মনো জয় কৰিব পাৰিছিল। শেষত কিন্তু দেউতাৰ মৃত্যু আশংকা কৰা হয় ৰাজনৈতিক শত্ৰুৰ চক্ৰান্ততেই। যিয়ে এবাৰ দেউতাৰ সান্নিধ্য পাইছে তেওঁ আৰু দেউতাক কেতিয়াও পাহৰিব নোৱাৰে। দেউতাই মোক সদায়ে এযাৰ কথা কৈছিল আইজনী 'অভ্যাসেই নৰ কৰ্ণ পথে কৰে শৰ' কিন্তু দেউতাৰ উক্ত উপদেশ মই সম্পূৰ্ণ পালন কৰিব পৰা নাই। দেউতাৰ মুখৰ পৰা প্ৰায়ে আইনদীৰ কথা শুনিছিলো তেতিয়া হেনো দেউতা সৰ্বক্ষণৰ কৰ্মী আছিল আৰু আইনদীৰ পাৰৰ সৰ্বহাৰা লোকৰ লগত কৃষক আন্দোলন গঢ়ি তোলাত যথেষ্ট অৰিহনা যোগাইছিল আৰু দেউতা সেই সময়ত ছদ্ম নামত আছিল। সকলোৱে বিজয় ডেকা বুলিয়েই জানিছিল। দেউতাই মৃত্যুৰ আগমূৰ্হুতলৈকে অৰ্থাৎ মৃত্যুৰ আগদিনা মোৰ মাক কৈছিল যে অসুখ ভাল হোৱাৰ পিছত মাত্ৰ তিনিদিন ঘৰত থাকিব আৰু ৩বছৰ গোৱালপাৰাৰ আইনদীৰ পাৰৰ এৰি থৈ অহা সৰ্বহাৰা কৃষক সকলৰ মাজলৈ পুনৰ ঘুৰি যাব। দেউতা অসীম ধৈৰ্য্যশীল আছিল। ১৯৮৩ চনটো দেউতাৰ বাবে বৰ ভয়াবহ আছিল যদিও ১৯৯৭ চনটো আমাৰ বাবে বৰ ভয়াবহ আৰু বেদনাসিক্ত আছিল। দেউতাক জীৱনৰ শেষছোৱা সময়ত বহুচিন্তাই ভাৰাক্ৰান্ত কৰিছিল। ৯৬ চনত দেউতা ধিং আঞ্চলিক মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ অধ্যক্ষৰ আসনত বহাৰ পৰাই ৰাজনৈতিক শত্ৰু আগতকৈ দুগুনে বাঢ়ে আৰু এই শত্ৰুৰ দ্বাৰাই দেউতাৰ অকাল মৃত্যু হয়। ৯৭ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে ৰাতি ঘৰঘেৰাও কৰি দেউতাৰ ভাষাৰে চৰকাৰৰ ভেৰনীয়া সৈন্যই আহি দেউতাই ১.৩০অত লৈ যায় আৰু আমাক কয় যে কমিটিখনৰ লগত এটা কথা আছে আৰু বহুকথা ভাবি আমি সেই ৰাতি ওচৰ চুবুৰীয়াক নজনোৱাকৈয়ে পুনৰ শেতেলীত পৰো। দেউতাৰ ওপৰত বহু মিচা অভিযোগ জাপি দি টাদাতকৈয়ে ওপৰৰ ধাৰাত বন্দী কৰি২৮ দিন নগাৱঁৰ স্পিচিয়েল জেলত ৰাখে আৰু ২৮ দিনৰ দিনা অৰ্থাৎ ১৩ মাৰ্চত মুক্তি দিয়ে। এই জেলত থকা সময়তেই দেউতা মানসিক ভাবে ভাগি পৰে বিশেষকৈ বৰ্ত্তমানৰ চৰকাৰৰ দ্বাৰা প্ৰয়োগ হোৱা ৰাজনৈতিক হিংসাই চুড়ান্ত সীমা পোৱা দেখি। দেউতাই ভাগ্য বুলি কোৱা কথাটোক কেতিয়াও বিশ্বাস নকৰিছিল। যুক্তিৰদ্বাৰা সচাঁ ভাগ্য কি দাঙি ধৰিছিল। শোৱাৰ সময়ত মায়ে দেউতাক ভগবানৰ নাম লব দিছিল কিন্তু দেউতাই ওলোটাই মাক হে ভগবাননো কি, কিয় ভগবানৰ নাম লব লাগে আদি কথা এজন দৰ্শন অধ্যয়ন কৰা ব্যক্তি হিচাপে বুজাই দিছিল। এই কথা মায়ে কেতিয়াও পাহৰিব নোৱাৰে। বহু কষ্ট কৰি দেউতাই নিজৰ যুক্তি প্ৰদৰ্শন কৰি বহু গাৱৰ বহু ভাঙি যাব ধৰা সংসাৰৰ যোৰা লগাইছিল। দেউতাৰ জীৱনত এটাই দুখ বৈ যোৱা যেন লাগে নিজৰ সমবায় খনত লগা কেৰুণ ভাঙিব নোৱাৰাটো। দেউতাক মই জনাৰ পৰাই বহু কথাই মনত পৰিছিল কিন্তু এনে অৱস্থাত ইমানবোৰ বৰ্ণনা কৰিব অপাৰগ হলো। শেষত মোৰ দেউতাৰ সচাঁ বিপ্লৱী আদৰ্শক সঠিক ভাবে আগুৱাই নিবৰ বাবে দৃঢ় প্ৰতিজ্ঞাবদ্ধ হৈ মোৰ ফালৰ পৰা সমূহ সচাঁ বিপ্লৱী সকলক শ্ৰদ্ধা জনাই লগতে দেউতাৰ বিদেহী আত্মাৰ সদগ্‌ত কামনা কৰি ইমানতেই মই দেউতাক কেনেদৰে জানো তাকে থুলমুলকৈ লিখি সামৰনি মাৰিলো। আকৌ দেউতাই কোৱা বিশেষ এফাঁকি কথা মনত পৰিছে – "আইজনী কষ্ট সহিষ্ণু, অধ্যৱসায়ী হ'ব লাগে।"

■

# সোঁৱৰণি

*মেহনতী জনগনৰ সৰ্বকালৰ বন্ধু মাৰ্ক্সবাদী চিন্তানায়ক তিলক মজুমদাৰ দেৱৰ আজি আদ্যশ্ৰাদ্ধত আমি পৰিয়ালৰ সমূহ ব্যক্তিয়ে গৌৰৱেৰে সোঁৱৰিছো। "আঠু কাঢি জীয়াই থকাতকৈ যুঁজি মৃত্যুবৰণ কৰাই শ্ৰেয়" এই উক্তিত দীক্ষিত হৈ তুমি অবিৰামভাৱে শ্ৰমজীৱি জনসাধাৰণৰ বাবে তোমাৰ জীৱন উচৰ্গা কৰিলা তাক আমি কেতিয়াও পাহৰিব নোৱাৰিম। "অৰ্থনৈতিক স্বাধীনতা অবিহনে দেশৰ স্বাধীনতাৰ কোনো অৰ্থ নাই" এযা তোমাৰে উক্তি. সেয়েহে তুমি কেতিয়াবা মাক্সবাদী দৰ্শনেৰে দীক্ষিত হৈ কেতিয়াবা হাতত বন্দুক লৈ নক্সালবাদী ৰূপে আকৌ কেতিয়াবা শোষিত নিষ্পেষিত জাতিটোৰ আত্মনিয়ন্ত্ৰৰ বাবে বক্তৃতাৰ বাগ্মিতাই তথাকথিত বুৰ্জোৱা গণতন্ত্ৰত বিশ্বাসী বুদ্ধিজীৱিসকলৰ মাজত আতংকৰ সৃষ্টি কৰিছিলা। কিন্তু তোমাৰ ৰাজনৈতিক মতাদৰ্শ এটাই পূজিপতি শ্ৰেণীৰ শাসন আৰু শোষনৰ পৰা মেহনতী জনগনক মুক্ত কৰা আৰু এক নতুন শোষনহীন, শ্ৰেণীহীন সমাজৰ সৃষ্টি কৰা। তুমি আছিলা স্থিতপ্ৰজ্ঞ আদৰ্শনিষ্ঠ আৰু সৰ্বহাৰাৰ সংগ্ৰামী শক্তি। সেয়েহে তোমাৰ সংগ্ৰামী জীৱন কোনো ক্ষনতেই স্তব্ধ হৈ উঠা নাছিল। তুমি নতুন প্ৰজন্মৰ সংগ্ৰামী সত্বাৰ পথ প্ৰদৰ্শক হোৱা, তোমাৰ আত্মাই চিৰ শান্তি লাভ কৰক।*

*এয়ে আমাৰ কাম্য।*

*মৰমৰ ভাগিন*
*ভাইটি (ৰূপেন)*

■

# কমৰেড তিলক মজুমদাৰৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি

■ পুষ্পেন্দ্ৰ নাথ

জন্মিলে যে এদিন মৰিবই লাগিব ই ধ্ৰুৱ সত্য। মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা কোনেও ৰক্ষা পাব নোৱাৰে। সেয়ে মানুহ মাত্ৰেই ভয় কৰে মৃত্যুক। দুদিন বেছিকৈ কেনেকৈ জীয়াই থাকিব পাৰি সেই চিন্তা মানুহে নকৰে বুলি কব নোৱাৰি। কিন্তু সমাজত সংখ্যাত তাকৰ হলেও এনে কিছু মানুহৰ জন্ম হয় যি মানুহে মৃত্যু ভয় জয় কৰি হাজাৰ বিপদ ধুমুহা মুৰ পাতি লৈ জীৱনৰ সকলো সুখ অকাতৰে জলাঞ্জলি দি জনগনৰ সেৱাত নিজক উচৰ্গা কৰে। ক্ষণস্থায়ী মানৱী জীৱনক দেশ তথা দহৰ সেৱাত নিজক উৰ্চগা কৰে সেই সকল মহান পুৰুষৰ মৃত্যুৱে হাজাৰ জনক কন্দোৱাই। এনে লোকৰ মৃত্যুক মহান বিপ্লৱী চিয়াৰমেন মাও-চে-তুঙে হিমালয়ৰ দৰে গধুৰ বুলি অভিহিত কৰি গৈছে। আৰু যি সকলে দেশ তথা দহৰ কাৰণে একোৱেই নকৰে, যি সকলে ভোগ বিলাস ঐশ্চৰ্য বিভূতিৰ পিছত দৌৰিয়েই গোটেই জীৱন পাৰ কৰে, যি সকলে জনসাধাৰনক প্ৰতাৰণা কৰি কোটিপতি হৈ সমাজত বৰ মানুহ বোলাই সেই সকলৰ মৃত্যুক মাওৱে পাখিতকৈয়ো পাতল বুলি কৈ গৈছে।

নগাওঁ জিলাৰ অন্তৰ্গত এখন অতি পিছপৰা গাওঁ নাম ডুমডুমীয়া সত্ৰত ১৯২৭ চনত জন্ম গ্ৰহণ কৰা আজীৱন বিপ্লৱী সমাজকৰ্ম্মী মানৱ অধিকাৰ ৰক্ষা আন্দোলনৰ অক্লান্ত কৰ্ম্মী মানৱ দৰদী তিলক মজুমদাৰে যোৱা ২০ মে তাৰিখে সন্ধিয়া ৬-৪৫ত বৃক্ক জনিত ৰোগত শেষ নিশ্বাস ত্যাগ কৰে। বিষ্ণুৰাভাৰ সতীৰ্থ শোষিত নিষ্পেষিত জনতাৰ হিয়াৰ আমঠু বিপ্লৱী নেতা তিলক মজুমদাৰৰ মৃত্যুকো আমি হিমালয়ৰ দৰে গভীৰ বুলি কবই লাগিব। ১৯৫২ চনত নগাওঁ জিলাৰ জুৰিয়া হাইস্কুলত নৱম শ্ৰেনীত পঢ়ি থকা অৱস্থাতেই বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ৰাজনৈতিক আন্দোলনৰ প্ৰতি আকৰ্ষিত হৈ স্কুলীয়া লিখা পঢ়া বিসৰ্জন দি উক্ত দলৰ যুৱ সংগঠন সদৌ অসম যুৱক সংঘত মজুমদাৰে যোগ দিয়ে। তাৰ পিছত ১৯৫৫ চনত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সদস্য পদ লাভ কৰে। পাৰ্টিৰ সদস্য পদ লাভ কৰি কমৰেড মজুমদাৰে এহাতত মাৰ্ক্সবাদ লেলিনবাদ গভীৰ ভাবে অধ্যয়ন কৰে অন্যহাতত পাৰ্টিকে ই আচল ঘৰ বুলি ভাবিলৈ একানপতীয়াকৈ পাৰ্টিৰ কামত আত্মনিয়োগ কৰে। অতি তীক্ষ্ণ মগজুৰ অধিকাৰী মজুমদাৰে ৰাজনৈতিক দৰ্শণ অধ্যয়ন, অধ্যৱসায়, বিপ্লৱী মতাদৰ্শৰ প্ৰতি দৃঢ় বিশ্বাস আৰু নিষ্ঠাৰ ফলত নিজকে পাৰ্টিৰ নেতৃত্বৰ শাৰীলৈ উন্নীত কৰে। কথাৰ বাগ্মিতা, সাংগঠনিক বিচক্ষণতা, সুন্দৰকৈ বক্তৃতা দিব পৰা কৌশল ইত্যাদি গুণৰাশিয়ে পাৰ্টিৰ ভিতৰে বাহিৰে মজুমদাৰৰ জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ ধৰে। সদস্য পদ লাভ কৰাৰ কেইবছৰ মান পাছতেই মজুমদাৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নগাওঁ জিলা সম্পাদক হোৱাৰ উপৰিও উক্ত দলৰ ৰাজ্যিক কমিটিৰো সদস্য পদ লাভ কৰে। তেখেতে একেৰাহে প্ৰায় দহবছৰ কাল ধৰি পাৰ্টিৰ নগাওঁ জিলা সম্পাদক আছিল বুলি জনা যায়। কিন্তু লাহে লাহে তেখেতৰ লগত পাৰ্টিৰ মতাদৰ্শগত সংঘাত তীব্ৰ হোৱাত বিপ্লৱী কমিউনিষ্ট পাৰ্টি ত্যাগ কৰি চি পি আই (এম, এল) নামৰ আন এটা দলত যোগদান কৰে। শেহতীয়াকৈ তেখেত ১৯৯৬ চনত মানৱ অধিকাৰ সংগ্ৰাম সমিতিত যোগদান কৰি এই সংগঠনৰ ধিং আঞ্চলিক অধ্যক্ষ নিৰ্বাচিত হয়।

কমৰেড মজুমদাৰে জীৱনৰ শেষ সন্ধিয়ালৈকে যিটো সপোন দেখিছিল সেইটো হৈছে এখন শোষণমুক্ত সমাজ তান্ত্ৰিক সমাজ নিৰ্মাণ কৰাৰ, যিখন সমাজত নাথাকিব বুৰ্জোৱা তথা পুজিঁপতি শ্ৰেণীৰ অহংকাৰ। তেখেতে মৃত্যুৰ সময়লৈকে যুঁজ কৰি গৈছিল সেইখন সমাজ নিৰ্মাণৰ কাৰণে যিখন সমাজত থাকিব দুখীয়া, নিচলা, হালুৱা, হাজোৱাৰ মানুহৰ দৰে জীয়াই থকাৰ সম্পূৰ্ণ অধিকাৰ মৃত্যুৰ সময়লৈকে তেখেতে সেই আৰ্দশকেই খামোচ মাৰি ধৰি আছিল যি আদৰ্শই মানুহক ভাল পাবলৈ শিকাইছিল। তেখেতে সেই আদৰ্শকেই নিজৰ হৃদয়ত লালন কৰিছিল, যি আদৰ্শই দূৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু সুবিধাবাদক ঘৃণা কৰিবলৈ শিকাইছিল। কমৰেড মজুমদাৰে আজীৱন সংগ্ৰাম কৰি গৈছিল সেইখন সুন্দৰ সমাজ প্ৰতিষ্ঠাৰ কাৰনে। যিখন সমাজত নাথাকিব কোনো জাতিৰ নামত বিভেদ আৰু সংকীৰ্ণতা,নাথাকিব কোনো ধৰ্মৰ নামত বিভেদ, ঘৃণা আৰু বিচ্ছিন্নতা। কিন্তু কমৰেড মজুমদাৰে হঠাতে আমাৰ মাজৰ পৰা সকলোকে কন্দোৱাই চিৰ দিনৰ কাৰণে আঁতৰি গল। এই নমস্য বিপ্লৱীজন আজি আমাৰ মাজত নাই সচাঁ, কিন্তু তেওঁৰ সংগ্ৰামী জীৱনৰ যি আদৰ্শ সেই আদৰ্শ যে চিৰদিন আমাৰ মাজত সজীৱ হৈ থাকিব সি ধ্ৰুৱপ। এফালৰ পৰা গেলিপচি উৱলি যাৱ ধৰা সমাজখনক দাণ্ডি নকৈ গঢ়ি তোলাৰ কাৰনে তেখেতে শোষক শ্ৰেণী আৰু সিবোৰৰ পৃষ্ঠাপোষক উগ্ৰ জাতীয়তাবাদী, সাম্প্ৰদায়িক, ক্ষমতাই উন্মাদ কৰা ভ্ৰষ্টাচাৰী ৰাজনৈতিক শক্তি তথা দূৰ্নীতিৰ বোকাত ডিঙিলৈকে পোত যোৱা প্ৰতাৰকবোৰৰ বিৰুদ্ধে যি আপোচবিহীন সংগ্ৰাম চলাই গৈছিল সেই সংগ্ৰামী আদৰ্শই আমাৰ সমাজ নতুন পুৰুষক যে চিৰদিন উদ্বুদ্ধ কৰি থাকিব সেই কথা আজি বিনা দ্বিধাই কব লাগিব।

এইখিনিতে মজুমদাৰৰ বিষয়ে আৰু কিছু কথা নকলে নিশ্চয় ভুল কৰা হব। সেয়া হ'ল— ১৯৭৯ চনৰ পৰা অসমত যি বিদেশী খেদা আন্দোলন হৈছিল সেই আন্দোলনকাৰী কৰ্ম্মীয়ে কমৰেড মজুমদাৰৰ ওপৰত কেবাবাৰো শাৰীৰিক নিৰ্য্যাতন চলাইছিল। আন্দোলনৰ গইনালৈ মজুমদাৰ আৰু তেওঁ পৰিয়ালক সামাজিক বৰ্জন কৰিছিল। ১৯৮৩ চনৰ কোনো এটা তাৰিখত পাৰ্টিৰ কামত চাপৰমুখৰ গছপাৰলৈ যাওঁতে আন্দোলনকাৰী লোকৰ দ্বাৰা তেখেত প্ৰচণ্ড ভাবে প্ৰহৃৰ হয়। স্থানীয়

কিছু গণ্য মান্য ব্যক্তিয়ে হস্তক্ষেপ নকৰা হলে সেইদিনাই হয়তো তেখেতে প্ৰাণ হেৰুৱাব লগা হলহেঁতেন।

এই কথা আজি কবলৈ দুখ লাগে যে মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ ধিং আঞ্চলিকৰ অধ্যক্ষ হৈ থকা অৱস্থাত মজুমদাৰৰ দৰে এজন নমস্য ব্যক্তিক যোৱা ১৬ ফেব্ৰুৱাৰী তাৰিখে চৰকাৰৰ আৰক্ষী বাহিনীয়ে আটক কৰি নগাওঁ বিশেষ কাৰাগাৰত ১৩ মাৰ্চ তাৰিখলৈকে আৱদ্ধ কৰি ৰাখে। কাৰাগাৰত থকা অৱস্থাতেই মজুমদাৰ শাৰীৰিক ভাবে যথেষ্ট দুৰ্বল হৈ পৰে যাৰ ফলত তেখেতে সকলোৰে পৰাই চিৰ বিদায় লব লগা হয়। অত্যন্ত সৰল চিতীয়া, সৎ, উদাৰ আৰু বিশাল হৃদয়ৰ মানৱ দৰদী ব্যক্তিজন যে ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলি হ'ল সেই কথা আজি বুজিবলৈ কাৰো টান নহয় নিশ্চয়।

কমৰেড মজুমদাৰে সবাতোকৈ গুৰুত্ব আৰোপ কৰিছিল কৃষি বিপ্লৱৰ ওপৰত। কৃষক সকলক সংগঠিত কৰি তেওঁলোকৰ সহায়ত জংগী কৃষক আন্দোলন গঢ়ি তুলি কৃষক শ্ৰেনীক শোষণৰ যুঁৱলিৰ পৰা মুক্ত কৰাৰ কাৰণে মজুমদাৰে সপোন দেখিবলে আৰু সেই উদ্দেশ্যে তেখেতে বিপ্লৱ কমিউনিষ্ট দলত থাকোতে কৃষক পঞ্চায়ত আৰু চি, পি, আই (এম এল) দলত থাকোতে খেতিয়ক সন্থাৰ পতাকাৰ তলত কৃষক সকলক ঐকবদ্ধ কৰিবৰ কাৰণে প্ৰচেষ্টা চলাইছিল। তেখেত নগাওঁ জিলাৰ ৰহা, ফুলগুৰি, শৰাগাওঁ আদিত গৰীৱ কৃষক সকলক লৈ মাটি দখল আন্দোলনৰ গুৰি ধৰিছিল। মোহন হাজৰিকা, অম্বু বৰা আদি বিপ্লৱী কমিউনিষ্ট দলৰ নেতা সকলে মাটি দখল আন্দোলন পৰিচালনা কৰাত কমৰেড মজুমদাৰক সহায় কৰিছিল বুলিও জনা যায়। কৃষক আন্দোলনৰ কামত তেখেতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমণ কৰি ফুৰিছিল। গোৱালপাৰা জিলাৰ কোনো কোনো অঞ্চলত মজুমদাৰে সুদীৰ্ঘ দিন ধৰি খেতিয়ক সন্থাৰ সংগঠনৰ কামত আত্ম নিয়োগ কৰিছিল।

১৯৬০ চনৰ খাদ্য আন্দোলনত মজুমদাৰে ধিঙত একেৰাহে অকলশৰীয়াকৈ ৫দিন ধৰি অনশন কৰি সকলোকে স্তম্ভিত কৰিছিল।

কমৰেড মজুমদাৰ যে এজন ৰাজনৈতিক নেতা আছিল এনে নহয় নানা ধৰণৰ সামাজিক কামতো জীৱনৰ বিয়লি বেলালৈকে নিজকে জড়িত কৰি ৰাখিছিল। ধিং বজাৰ ব্যৱসায়ী সন্থাৰ তেখেত উপ-সভাপতি আছিল। ব্যৱসায়ী সকলৰ সন্মুখত উদ্ভৱ হোৱা যিকোনো ধৰণৰ সমস্যা সমাধান কৰাত মজুমদাৰে অতি বিচক্ষনতাৰ পৰিচয় দিছিল।

কমৰেড মজুমদাৰে মৃত্যুৰ সময়ত পত্নী আৰু দুগৰাকীজীয়ৰীৰ উপৰিও তিনিজন ককাই ভাই আৰু ভালেমান আত্মীয় স্বজনক এৰি থৈ যায়। মজুমদাৰৰ পিতৃৰ নাম ৺পোনাৰাম মজুমদাৰ আৰু মাতৃৰ নাম ৺পুহিতা দেৱী। মেহনতি মানুহৰ নেতা তথা মানৱ অধিকাৰ ৰক্ষা আন্দোলনৰ সৈনিক ৺তিলক মজুমদাৰৰ আজিৰ পবিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনত তেখেতৰ স্মৃতিত আমি সজল নয়নেৰে শ্ৰদ্ধা নিবেদন কৰিছো।

কমৰেড মজুমদাৰ অমৰ হৈ ৰওঁক অসমৰ নতুন প্ৰজন্মৰ মাজত এয়ে আমাৰ ঐকান্তিক কামনা।

■

# বিপ্লৱী তিলক মজুমদাৰৰ সান্নিধ্যৰ এচোৱা

■ মোলান লস্কৰ

মানুহৰ মৃত্যু অনিবাৰ্যতা জানিও কিছুমান ব্যক্তিৰ মৃত্যু অসহ্য যেন লাগে। এনে এটি খবৰে আমাক হতাশ কৰি তুলিলে যোৱা কুৰি মে'ৰ সন্ধ্যাত প্ৰতি মুহূৰ্ত সংগ্ৰামৰ ক্ষেত্ৰতেই লগ পোৱা বিপ্লৱী মজুমদাৰদেৱৰ মৃত্যু হয়। মাও চে তুঙে কোৱা এষাৰ বাক্যলৈ মনত পৰিল 'যি জনগণৰ বাবে মৃত্যু বৰণ কৰে সি থাই পৰ্বততকৈ গভীৰ আৰু যি শত্ৰুৰ বাবে মৃত্যুবৰণ কৰে সি চৰাই পাখীতকৈও পাতল'। কমৰেড তিলক মজুমদাৰৰ মৃত্যুৰ ওজনৰ গভীৰতা থাই পৰ্বতৰো অধিক।

কমৰেড তিলক মজুমদাৰ দাদাই কোৱা মতে ভাৰতবৰ্ষই তথাকথিত স্বাধীনতা পোৱাৰ পিছতেই বিপ্লৱী কমিউনিষ্ট পাৰ্টি ( RCPI)য়ে এনে স্বাধীনতাক স্বাধীনতা বুলি স্বীকাৰ কৰিব নোৱাৰিলে। ১৯৪৭ৰ ১৫ আগষ্টৰ দিনা কামৰূপৰ দিঘেলীত সৈনিক শিল্পী বিষ্ণুৰাভাই 'ইয়ে আজাদী ঝুঠা হ্যায়' বুলি জৱাহৰলাল আৰু বল্লভাই পেটেলহতক কপাই দিছিল। ইয়াৰ পিচত ১৯৪৮ চনত পশ্চিম বংগৰ বীৰভূমত বহা বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ ৰাষ্ট্ৰীয় কংগ্ৰেছত ভাৰতবৰ্ষৰ পুনৰ স্বাধীনতাৰ প্ৰয়োজনত সশস্ত্ৰ সংগ্ৰামৰ প্ৰস্তাৱ গৃহীত হয়। কমৰেড তিলক মজুমদাৰ দেৱ তেতিয়া প্ৰায় ওঠন যুৱক। ভাৰতবৰ্ষ চৰকাৰে সশস্ত্ৰ বিপ্লৱী বিপ্লৱী কমিউনিষ্ট দলক নিষিদ্ধ ঘোষণা কৰে। নিষিদ্ধতাৰ মাজৰ সত্যতাৰ প্ৰতি কমৰেড তিলক মজুমদাৰদেৱৰ আৰ্কষণ বাঢ়ি আহে আৰু সেই দলৰ সদস্য হয়। ৰাছিয়াৰ ষ্টেলিনৰ পতন আৰু ব্ৰেজনেভ চক্ৰৰ উত্থানৰ লগে লগে ৰাচিয়ালৈ প্ৰৱেশ কৰা শোধনবাদৰ বতাহ ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ প্ৰৱক্তা এছ এ ডাঙ্গেহতৰ গাতো লাগে আৰু ক্ৰমান্বয়ে শান্তি পূৰ্ণ সহাৱস্থানক সংসদ সৰ্বস্বতালৈ পঞ্চাশদশকৰ প্ৰাৰম্ভনিৰে পৰা বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়েও মূৰ দোৱায়। এনে স্বাৰ্থৰ বাবে বিপ্লৱী কমিউনিষ্ট পাৰ্টিত বিপ্লৱী সত্তাৰ ধাৰা ৰক্ষাৰ বাবে কবি ৰাম গগৈ, গজেন ফুকন আৰু তিলক মজুমদাৰ দেৱে আপ্ৰাণ প্ৰচেষ্টা চলায় যদিও সংশোধন বাদৰ ওচৰত তিনিও হাৰমানি ওলাই আহিব লগা হয়। তথাপিও তিনি বিপ্লৱীয়ে হঠকাৰী সুবিধাবাদী ৰাজনীতিত অধঃপতিত নহৈ পুনৰ সঁচা বিপ্লৱী সত্তাৰ অনুসন্ধানত ব্যস্ত হয়।

OKDISCD

Miss Urmi Mazumder.

চি পি এম, চি পি আইৰ বিশ্বাসঘাটকতাৰ বিপৰীতে ষাঠী দশকৰ শেষৰ ফালে পশ্চিমবংগৰ নক্সালবাৰীত হোৱা 'বসন্তৰ বজ্ৰনিঘোৰ্ষ'ৰ প্ৰতি কমৰেড তিলক মজুমদাৰ দাদা আকৃষ্ট হয়। নগাৱঁলৈ অহা ভালেকেইজন নক্সাল নেতাৰ লগত গোপনে সংগঠন কৰাত লাগে। শেষলৈ ১৯৭৭ চনত চি পি আই (এম এল)ভাস্কৰ নন্দী গোটত যোগদান কৰিখেতিয়ক সন্থাৰ সদৌ অসমৰ নেতৃত্বলৈও সোমায. অসমত গঢ়লৈ উঠা উগ্ৰজাতীয়তাবাদী আন্দোলনৰ প্ৰাৰম্ভণিত ১৯৭৯ চনত দলৰ আহ্বানত ২১ জুনত উগ্ৰজাতীয়তাবাদ বিৰোধী গুৱাহাটীৰ ঐতিহাসিক প্ৰতিবাদ দিবসলৈ নগাৱঁৰ পৰা কমৰেড তিলক মজুমদাৰৰ নেতৃত্বত কেবাহেজাৰ সংগ্ৰামীয়ে অংশ গ্ৰহণ কৰিছিল। কমৰেড মজুমদাৰক সেই সময়ৰ উগ্ৰজাতীয়তাবাদীয়ে বামুনী, চাপৰমুখৰ কচুৱাত প্ৰানে মাৰিবৰ চেষ্টা চলোৱাৰোপৰি নিজৰ ধিঙৰ বাসগৃহটোও ধিঙৰ উগ্ৰজাতি দাম্ভিকহতে ভাঙিও আদৰ্শৰ পৰা বিচলিত কৰিব পৰা নাছিল। যোৱা বছৰৰ প্ৰথম ভাগত আমাৰ সৈতে আমাৰ ঘৰত চি পি আই (এম.এল)ৰ ৰাজ্যিক নেতা প্ৰবক্তা বিশ্বজিৎ চক্ৰবৰ্তীৰ লগত হোৱা ভালে কেইটা আলোচনাইও কমৰেড মজুমদাৰক যেন সংগ্ৰাম বিমুখ কোনো চিন্তাত মন তলাব নোৱাৰিলে। সেই যোৱা বছৰতেই মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ সংগ্ৰামৰ প্ৰতি আকৃষ্ট হৈ জাতীয় আন্দোলনৰ অংশীদাৰ স্বৰূপে ধিংৰ মাছৰ অধ্যক্ষৰ পদ অলঙ্কিত কৰে। কমৰেড মজুমদাৰৰ দীৰ্ঘ ৰাজনৈতিক জীৱন পৰিক্ৰমা কৰিলে পৰিস্ফুট হয় যে কম্ৰেড মজুমদাৰক কোনো সংগ্ৰাম বিমুখী লোভনীয় সুবিধাইও স্তব্ধ কৰিব পৰা নাই। সচা বিপ্লৱী, আদৰ্শবান সংগ্ৰামীক যে কোনেও কতো বন্দী কৰি ৰাখিব নোৱাৰে, সদায় সচাঁ বিপ্লৱৰ পথত অগ্ৰসৰ হবই. ইয়াৰ জলন্ত প্ৰমান বিপ্লৱী ইতিহাসৰ সাক্ষ্য কমৰেড তিলক মজুমদাৰ। দিগেন বৰাহতৰ দৰে ক্ষমতাৰ বাবে অসভ্যালি কৰা নেতাই যিমানেই তিলক মজুমদাৰহতক জেল হাজোতত নিক্ষেপ নকৰক, বিষাক্ত বিষেৰে হত্যা নকৰক প্ৰকৃতাৰ্থত কমৰেড তিলক মজুমদাৰৰ মৃত্যু হোৱা নাই। বিপ্লৱ সমাপ্ত নোহোৱালৈকে কমৰেড তিলক মজুমদাৰ আদৰ্শৰ ভোটা তৰা হৈয়ে থাকিব।

■

অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু সৰু জুৰি নিজৰি উপনৈ সমন্বিত শক্তিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে । কোনো প্ৰতিক্ৰিয়াশীল শক্তিয়ে যেনেকৈ ব্ৰহ্মপুত্ৰক ভেটিব নোৱাৰে, তেনেকৈ কোনো চক্ৰান্তকাৰী ষড়যন্ত্ৰকাৰীয়ে অসমীয়া কৃষ্টি সংস্কৃতি, সাহিত্যৰ সৰ্বনাশ সাধন কৰিব নোৱাৰে। যদি কোনোবাই ভেটা দিয়ে, হেঙাৰ দিয়ে, ব্ৰহ্মপুত্ৰই সেই ভেটা ভাঙি মহাসাগৰৰ ফালে ঢাল খাবই। ঠিক তেনেকৈ সকলো চক্ৰান্ত মষিমূৰ কৰি — অসমীয়া কৃষ্টি সংস্কৃতি বৈচিত্ৰ্য ঐক্যৰ প্ৰবল সমন্বিত শক্তিও মহামানৱতাৰ ফালে ঢাল খাবই ।

— বিষ্ণু ৰাভা

# কমৰেড তিলক মজুমদাৰক বিচাৰি

■ অংকুৰ

বেলিটো যেন খহি পৰিল
সন্ধিয়াৰ আগতেই
চাৰিও দিশে হাঁহাকাৰ লাগিল
কমৰেড মজুমদাৰ
অদৃশ্য হ'ল।
আমি পিতৃহীন দিশহাৰা হলো
কলৈ গ'ল কমৰেড্
কতেবা পাম
কোনো উঁৱাদিহেই দেখোন নাই
ক'ত কমৰেড মজুমদাৰ ক'ত?
তোমালোকে মোক সুধিছা?
কমৰেড্ ক'ত?
তোমালোকে আৰু কমৰেড্ক
বিচাৰিলে পাবা, পাবাই কমৰেড্ক
জালিৱানাবাগৰ সেই
কৰাল বন্ধা তেজৰ চেকুৰাবোৰত,
ভিয়েটনামৰ সেই গুৱেৰ্থিৰ লগত
কমৰেডক পাবা হিটলাৰৰ
গেছচেম্বাৰৰ প্ৰতিবাদী ইহুদিৰ
কণ্ঠত
তেওঁক পাবা
শ্বেতকায় চাবুকৰ কোব খোৱা
ক'লা নিগ্ৰোৰ বজ্ৰ মুঠিত
আৰু পাবা কৃষকৰ অন্তৰৰ
নিভৃত কোনত
পাবা, পাবাই কমৰেড মজুমদাৰৰক
বিচাৰিলেই পাবা।

■

GKDISCD

# স্বাধীনতাৰ বাবে

■ বিপিন ভড়ালী

বলিয়া মানুহজনক
অৱশেষত চিতাত জ্বলাই দিয়া হল।

সংগ্ৰামেই যাৰ জীৱন
আৰু সেইবাবেই ভয় খাইছিলে ভাৰত চৰকাৰ
সেইবাবেই হয়তো নিজ হাতে গঢ়া চৰকাৰখনেই
নিক্ষেপ কৰিলে কাৰাগাৰলৈ
এটি অচিন বেমাৰ
আৰু দিলে মৃত্যু।

তোমাৰ চিতাৰ জুইৰ তাপত
ডেকা-গাভৰুৰ কোমল হৃদয়
হিংস্ৰতাৰে উজ্বলি উঠিল
আটাইবোৰ ক্ৰোধ
একেলগে বুকুত জমা হল
সেইবাবেই হেজাৰ তৰুণ তৰুণী
সূৰ্যৰ পৰা জুই কাঢ়িবলৈ আহিছে
এই চিতা জুই কুৰাই
বহু কিবাকিবি দিব পাৰে
তাত ভাবিবলগীয়া একো নাই।

■

# হে মহান তুমি মুক্ত

■ উৰ্মি মজুমদাৰ

হে মহান তুমি মুক্ত
এই সমাজত
কিমানযে হত্যা, লুণ্ঠন অপহৰণ.........
দিনে দিনে বাঢ়িছে ছহিদৰ তালিকা
দানৱৰ অত্যাচাৰত ধৰাশয়ী
সমাজখন কেতিয়া জানো পবিত্ৰ হয়
কিছুমান ভূত ওলাইছে
সিহঁতে মানুহক মাৰিবলৈ
অকণো কুণ্ঠবোধ নকৰে।
তুমি গ'লাগৈ ভালেই কৰিলা
নহলে যিহে দিন-কাল এতিয়া!
তথাপিও তুমি এটা কথা মনত ৰাখিবা
এজন মৰিব
কিন্তু দহজন আকৌ আগুৱাবই
তোমাৰ বিপ্লৱৰ বাটেৰে।

■

# মই তেওঁক দেখা পাইছো

■ চুম্‌কি

যোৱাৰাতি তেওঁক মই দেখা পাইছো
আই নদীৰ পাৰে পাৰে
হাতত এটা চাৰ্ট লৈ
এমুখ উদ্ভাসিত হাঁহিৰে
বিপ্লৱৰ বাৰ্তা কঢ়িয়াই ফুৰা মানুহজন
তেওঁ আন কোনো নহয়
নতুন প্ৰজন্মৰ শ্ৰদ্ধেয় খুড়া
কমৰেড তিলক মজুমদাৰ ওৰফে বিজয় ডেকা।
পৰহি দিনা লুইতে গোটেই ৰাতি চিঞৰিছিল
মানুহবোৰে একোকে ঠাৱৰ কৰিব নোৱাৰিছিল
পুৱাতহে সকলোৰে গম পালে
এই বাটেৰেই আহিছিল কমৰেড তিলক মজুমদাৰ ওৰফে বিজয় ডেকা
আজি ৰাতিও ভোগদৈৰ পাৰে পাৰে
গৈ থকা দেখিছে বহুতো মানুহে
পথাৰৰ মাজে মাজে কাইলৈও আহিব হেনো
এই বাটেৰে
তেওঁ নহাকৈ থাকিব কেনেকৈ
তেওঁ যে কমৰেড তিলক মজুমদাৰ ওৰফে বিজয় ডেকা
কেনেকৈ থাকিব বিচ্ছিন্ন হৈ কমৰেড জনগণৰ পৰা ।

●

# আজন্ম জ্যোতি

(তিলক মজুমদাৰ খুড়াৰ তেজৰঙা স্মৃতিত)

বিশ্বজিৎ নাথ

সৃষ্টিৰ কঠিয়াতলিত পোখা মেলা
উদীপ্ত ৰেণুৰ উন্মেষী তৰংগৰে
নিপীড়িতৰ মুক্তিৰ তুমি আমৃত্যু সত্বা
আজন্ম বিপ্লৱী জ্যোতি।
প্ৰতিবিন্দু তেজত
তোমাৰ আদৰ্শৰ ধাৰাৰে
প্ৰতিজন সেনানীয়ে
হৃদয়ত নিসংকোচে
সাজি ললো সমাধি।
নায্য স্বাধীনতাৰ বিজয়োল্লাসৰ
সেই ন্যায্য তেজাল ক্ষণলৈকে........../

●

OKDISCD

## ধিং আঞ্চলিক মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ অধ্যক্ষ তথা ধিং বজাৰ ব্যৱসায়ী সমিতিৰ উপ-সভাপতি প্ৰয়াত তিলক চন্দ্ৰ মজুমদাৰ দেৱৰ আদ্যশ্ৰাদ্ধ উদ্‌যাপন সমিতি, ধিং

| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰীলক্ষী নেওঁগ |
| উপ-সভাপতি | ঃ | ডাঃ ৰবীন্দ্ৰ দেৱ নাথ |
| | | শ্ৰী বিমল দাস |
| সম্পাদক | ঃ | ভূৱন দেৱ নাথ |
| সহঃসম্পাদক | ঃ | শ্ৰীৰমেন সিং ৰাজা |
| কাৰ্য্যালয় সম্পাদক | ঃ | শ্ৰীগোপাল নাথ |
| | | শ্ৰীগৌতম মজুমদাৰ |
| সদস্য | ঃ | শ্ৰীসুৰেণ ৰাজখোৱা |
| | | শ্ৰীহেমেন দাস |
| | | শ্ৰীপোৱাল চন্দ্ৰ দাস |
| | | শ্ৰীৰবীন্দ্ৰ নাথ |
| | | শ্ৰীনেপাল দাস |
| | | শ্ৰীমানিক নাথ |
| | | শ্ৰীনন্দ দুলাল শৰ্মা |
| | | শ্ৰীঅভিজিৎ দেৱনাথ |
| উপদেষ্টা | ঃ | ড° ৰিয়াজউদ্দিন আহমেদ |
| | | শ্ৰীৰাধাকান্ত দেৱনাথ |
| | | শ্ৰীহৰেকৃষ্ণ দাস |
| | | শ্ৰীধীৰেন্দ্ৰ নাথ কুডি |
| | | শ্ৰীগজেন নাথ |
| | | শ্ৰীইন্নচ আলি |
| | | শ্ৰীমোছলেমউদ্দিন কবিৰ |

### স্মৰণিকা ঃ

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | ড০ৰিয়াজউদ্দিন আহমেদ |
| সভাপতি | ঃ | শ্ৰীপুষ্পেন্দ্ৰ নাথ |
| সম্পাদক | ঃ | শ্ৰীপোৱাল চন্দ্ৰ দাস |
| | | শ্ৰীহেমেন দাস |




*কমৰেড তিলক মজুমদাৰৰ মৃতদেহ লৈ গুণমুগ্ধ লোকে মৌন শোভাযাত্ৰা কৰা দেখা গৈছে ।*

*ফটো ঃ বিদ্যুৎ মণি কলিতা*

OKDISCD

# কমৰেড তিলক মজুমদাৰ ওৰফে বিজয় ডেকা



OKDISCD

Printed at Rabindra Chapasal, Guwahati - 21, Ph. 564499